www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, NOVEMBER 19, 2024 ■ মঙ্গলবাৰ, ৩ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৬ Guwahati, Assam ।। মূল্যঃ এটকা

**ছাণ্টিয়াগোৰ প্ৰতিষ্ঠানত অভিযান**

**মুম্বাই, ১৮ নৱেম্বৰঃ** লটাৰী কিং ছাণ্টিয়াগো মাৰ্টিনৰ কোম্পানী ফিউচাৰ গেমিং এণ্ড হোটেল ৫ পৃষ্ঠাত চাওক

## নিৰাপত্তাৰক্ষীৰ গুলীত নিহত ২১ বছৰীয়া যুৱক, পৰিস্থিতিৰ অৱনতি

# ব্যৰ্থ শীৰ্ষ নেতৃত্ব! জিৰিবামত বিজেপিৰ পৰা সমূহীয়া পদত্যাগ

■ নেতা-মন্ত্ৰীৰ প্ৰতি জনতাৰ আক্ৰোশ বৃদ্ধি

■ অনিৰ্দিষ্টকাললৈ শিক্ষানুষ্ঠান বন্ধ ঘোষণা

**ই-সংবাদ, গুৱাহাটী-ইম্ফল, ১৮ নৱেম্বৰঃ** নতুনকৈ আকৌ অতি ভয়ংকৰভাৱে জ্বলিবলৈ আৰম্ভ কৰিছে মণিপুৰ। ক্ষুব্ধ হৈ পৰিছে জনতা। কাৰ্যত নিয়ন্ত্ৰণহীন হৈ পৰিছে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰ। ইয়াৰ মাজতে, উত্তেজিত হৈ জনতাই শেষাংশ ৪ পৃষ্ঠাত

## হিংসা জৰ্জৰিত ৰাজ্য মণিপুৰলৈ চিএপিএফৰ ৫০ কোম্পানী প্ৰেৰণ

**ই-সংবাদ, ইম্ফল, ১৮ নৱেম্বৰঃ** একপ্ৰকাৰ মানৱতাৰ বধ্যভূমিত হৈ পৰিছে চুবুৰীয়া ৰাজ্য মণিপুৰ। ১১ নৱেম্বৰৰ নিশা সন্দেহজনক স্থানীয় কুকি বিদ্ৰোহীয়ে চিআৰপিএফৰ এটা শিবিৰত আক্ৰমণ চলোৱাৰ পাছতে পুনৰ হিংসাত শেষাংশ ৩ পৃষ্ঠাত


## মণিপুৰৰ ঘটনাক লৈ চিন্তিত আৰএছএছ

**ই-সংবাদ, ১৮ নৱেম্বৰঃ** ১১ নৱেম্বৰত সন্দেহজনক কুকি বিদ্ৰোহী আৰু চিআৰপিএফৰ মাজত লগা সংঘৰ্ষত ১০ সন্দেহজনক কুকি বিদ্ৰোহী নিহতৰ পাছতে ঘটনাৰ পোতক তুলিবলৈ শেষাংশ ৪ পৃষ্ঠাত

**দিল্লীত কংগ্ৰেছৰ সংবাদমেল, আজি গুৱাহাটীত এপিচিচিৰ প্ৰতিবাদ**

## সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে প্ৰধানমন্ত্ৰীক মণিপুৰলৈ যাবলৈ দাবী, বিচাৰিলে শ্বাহৰ পদত্যাগ

**ইম্ফল, ১৮ নৱেম্বৰঃ** উত্তৰ-পূৱৰ ৰাজ্য মণিপুৰ পুনৰবাৰ হিংসাৰ জুইত জ্বলি উঠাৰ সময়তে আজি দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছে নতুন দিল্লীত সংবাদমেল সম্বোধন শেষাংশ ২ পৃষ্ঠাত



**মহাৰাষ্ট্ৰৰ নিৰ্বাচনী প্ৰচাৰ**

## প্ৰাক্তন মন্ত্ৰী অনিলৰ গালৈ শিল নিক্ষেপ

**মুম্বাই, ১৮ নৱেম্বৰঃ** মহাৰাষ্ট্ৰত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ শেষ দিনটোত এগৰাকী জ্যেষ্ঠ নেতাক শিল নিক্ষেপ কৰি আহত শেষাংশ ২ পৃষ্ঠাত

## পোহৰলৈ লোমহৰ্ষক কাণ্ড! বিলাসীপাৰাত গাঁত খান্দি উদ্ধাৰ সন্ধানহীন মহিলাৰ মৃতদেহ




**ই-সংবাদ, বিলাসীপাৰা, ১৮ নৱেম্বৰঃ** বিগত কিছুদিন ধৰি ধাৰাবাহিক হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি কৰি অহাৰ সময়তে এইবাৰ বিলাসীপাৰা সম-জিলাত পোহৰলৈ আহিছে শেষাংশ ৫ পৃষ্ঠাত

**সংবাদমেলত দেৱব্ৰত শইকীয়া**

## বৰ্খাস্ত কৰক ভাৰ্গৱ বৰবৰাক

**ই-সংবাদ, ১৮ নৱেম্বৰঃ** দুই আয়োগক পত্ৰ প্ৰদান কৰি কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মহানগৰীৰ পাণবজাৰ আৰক্ষী থানাৰ পৰা খেদা শেষাংশ ৩ পৃষ্ঠাত

## মনৰ দুখীয়া লোকেৰে ভৰিছে গুৱাহাটী

**ই-সংবাদ, ১৮ নৱেম্বৰঃ** ৰং-চঙীয়া অট্টালিকা আৰু ধনাঢ্য লোকেৰে ভৰি থকা এইখন গুৱাহাটীত মনৰ দুখীয়া মানুহৰ অভাৱ নাই। কেতিয়াবা যদি নমতাকৈ ভিআইপি

**জটিয়াত এপেকেট গাখীৰৰ বাবেই দৰিদ্ৰ কিশোৰক মাৰধৰ**

বিলাসী বিবাহ ভৱনত এসাঁজ ভাত খোৱাৰ বাবে কোনোবা ধনজিতক শাস্তি দিয়া হয়, কেতিয়াবা আকৌ তৃষ্ণাতুৰ কিশোৰৰ শেষাংশ ৫ পৃষ্ঠাত

## অ'চিৰ পিছত এচিএছৰ দাদাগিৰি

**ই-সংবাদ, ১৮ নৱেম্বৰঃ** ক্ষমতাৰ ৰাগীত ওভতগোৰে নচা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাই ফাঁচী বজাৰত শ-শ লোকৰ সন্মুখত কটনৰ ছাত্ৰক প্ৰহাৰ কৰা ঘটনাৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে

কৰি বিজেপিক তীব্ৰ আক্ৰমণ কৰে। পুনৰ হিংসা আৰম্ভ হোৱাত কংগ্ৰেছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পদত্যাগ দাবী কৰিছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সংবাদমেল সম্বোধন কৰি কয়, "মণিপুৰ বিগত বছৰৰ ৩ মে'ৰ পৰা জ্বলি আছে। মণিপুৰৰ পৰিস্থিতি জটিল। আমি দেশৰ গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছো।" প্ৰধানমন্ত্ৰী মোদী মণিপুৰৰ বাহিৰে সকলো ঠাইলৈ গৈছে, কিন্তু মণিপুৰলৈ আজিলৈ নগ'ল বুলি উল্লেখ কৰি সংবাদমেল যোগে জয়ৰাম ৰমেশে কেবাটাও দাবী উত্থাপন কৰিছে। প্ৰথমতে প্ৰধানমন্ত্ৰী মোদীয়ে ২৫ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ অধিৱেশনৰ আগতে মণিপুৰ ভ্ৰমণ কৰা, সৰ্বদলীয় বৈঠক, মণিপুৰৰ সামাজিক সংগঠনবোৰৰ সৈতে বৈঠক কৰা আৰু মণিপুৰৰ দল-মত নিৰ্বিশেষে প্ৰতিনিধি দলক সাক্ষাৎ কৰাৰ দাবী জনায়। লগতে প্ৰধানমন্ত্ৰীক মণিপুৰৰ আশ্ৰয় শিবিৰলৈ যোৱাৰো দাবী জনায়। দ্বিতীয়তে ২০২৪ চনৰ ৩১ জুলাইৰ পৰা মণিপুৰত স্থায়ী ৰাজ্যপাল নাই। এগৰাকী দক্ষ লোকক স্থায়ী ৰাজ্যপাল নিযুক্ত দিয়ক। ইপিনে এগৰাকী আদিবাসী মহিলা অনুচুয়া উইকিক কিয় ৰাজ্যপাল হৈ থকা অৱস্থাত আঁতৰোৱা হৈছে তাক লৈও প্ৰশ্ন কৰে কংগ্ৰেছে। জয়ৰাম ৰমেশে প্ৰশ্ন কৰে যে এগৰাকী প্ৰতিষ্ঠিত জনজাতীয় মহিলা ৰাজ্যপাল আছিল, কিন্তু কিয় তেওঁক আঁতৰোৱা হৈছিল। ইয়েই তেওঁলোকৰ মানসিকতাক উদঙাই দিয়ে। যোৱা ১৮ মাহ ধৰি প্ৰধানমন্ত্ৰী মোদীয়ে মণিপুৰক গৃহমন্ত্ৰীৰ ওচৰত এৰি দিছে। মণিপুৰৰ মুখ্যমন্ত্ৰীৰ বিফলতাৰ প্ৰতি গৃহমন্ত্ৰীয়ে নজৰ দিয়া নাই। বিজেপি বিধায়কসকলে পদত্যাগ কৰিছে। কিন্তু গৃহমন্ত্ৰীয়ে এজন বিফল মুখ্যমন্ত্ৰীক সুৰক্ষা দি আছে। কংগ্ৰেছে মণিপুৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক ড্ৰাগছৰ গোচৰক লৈ প্ৰশ্ন কৰে। কংগ্ৰেছে কয় যে সঁচাকৈয়ে ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'ব বিচাৰে তেন্তে গোচৰ কিয় স্থগিত ৰাখিছে? ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এনআইএ) ব্যৱহাৰ কৰক। কিন্তু চৰকাৰে ড্ৰাগছৰ গোচৰৰ চলোৱা নাই। মণিপুৰ কংগ্ৰেছৰ সভাপতি কে মেঘাচন্দ্ৰ সিং আৰু মণিপুৰ কংগ্ৰেছৰ তত্বাৱধায়ক গিৰীশ চোদংকাৰৰ সৈতে এআইচিচিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি জয়ৰাম ৰমেশে শ্বাহ আৰু মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগৰ দাবী জনায়। ৰাজ্যখনত পুনৰ হিংসাত দাবানাল আৰম্ভ হোৱাত কংগ্ৰেছে ডাবল ইঞ্জিন চৰকাৰৰ সম্পূৰ্ণ বিফলতা হোৱা বুলি কৈ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ পদত্যাগ দাবী কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বিদেশত থকাৰ সময়তে মণিপুৰ জ্বলি থকাক লৈ প্ৰশ্ন কৰি জয়ৰাম ৰমেশে কয় যে ২০২৩ চনৰ ৩ মে'ৰ পৰা মণিপুৰ জ্বলি আছে আৰু প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণ কৰি উপদেশ দি আহিছে। কিন্তু মণিপুৰ ভ্ৰমণ কৰিবলৈ সময় উলিয়াব নোৱাৰিলে। ৰমেশে কয় যে প্ৰধানমন্ত্ৰীয়ে মণিপুৰৰ সকলো দায়িত্ব গৃহমন্ত্ৰীক এৰি দিছে। গৃহমন্ত্ৰী আৰু বিফল মুখ্যমন্ত্ৰীৰ মাজত এক অদ্ভুত 'যুগলবন্দী' আছে। গৃহমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ বিফলতাক গুৰুত্ব দিয়া নাই আৰু বচাবলৈ চেষ্টা কৰি আছে। সাংবাদমেলত কংগ্ৰেছ নেতাসকলে কয় যে মণিপুৰৰ বেদনা হৈছে দেশৰ বেদনা। ৩০০ ৰো অধিক লোকৰ মৃত্যু হৈছে ৬০ হাজাৰৰো অধিক লোক স্থানচ্যুত হৈছে। এয়া চৰকাৰৰ সম্পূৰ্ণ বিফলতা। ২০২২ চনৰ নিৰ্বাচনত বিজেপিয়ে ৬০ খন আসনৰ ভিতৰত ৩২ খন আসন লাভ কৰিছিল। তেওঁলোকে বৃহৎ জনাদেশ লাভ কৰিছিল। কিন্তু ১৫ মাহৰ ভিতৰত মণিপুৰ জ্বলিবলৈ আৰম্ভ কৰিছিল। ডাবল ইঞ্জিন চৰকাৰ বিফল হৈছে আৰু চৰকাৰ লাইনচ্যুত হৈছে। মণিপুৰ কংগ্ৰেছৰ সভাপতি কে মেঘাচন্দ্ৰ সিঙে কয় যে দ্বৈত ইঞ্জিন চৰকাৰৰ অধীনত এক অভুতপূৰ্ব অস্থিৰতা আৰু সম্পূৰ্ণ অৰাজকতাই বিৰাজ কৰিছে। কোনো আইন-শৃংখলা নাই। মণিপুৰৰ গোটেই মানুহে যি সহ্য কৰি থাকিবলগীয়া হৈছে সেয়া সঁচাকৈয়ে অতি বেদনাদায়ক। নিৰীহ লোকৰ অপহৰণ। বিশেষকৈ মহিলা আৰু শিশুক হত্যা কৰাটো অতি দুৰ্ভাগ্যজনক। কে মেঘাচন্দ্ৰ সিঙে ২০১৭ চনৰ ফেব্ৰুৱাৰীত নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যোৱাৰ সময়ত দিয়া বক্তব্যৰ কথা মনত পেলাই কয় যে নিৰ্বাচনী প্ৰচাৰত মোদীয়ে কৈছিল যে যদি মণিপুৰত শান্তি নিশ্চিত কৰিব নোৱাৰে তেন্তে ৰাজ্য শাসন কৰাৰ কোনো অধিকাৰ নাই। মই প্ৰধানমন্ত্ৰীক সুধিব বিচাৰো যে আইন-শৃংখলা বজাই ৰখা দ্বৈত ইঞ্জিনৰ চৰকাৰ, প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ এখন ৰাজ্য মণিপুৰক কিয় অৱহেলা কৰিছে। মণিপুৰ মোদী চৰকাৰে এৰি দিয়া ৰাজ্য হৈ পৰিছে বুলিও কয় মেঘাচন্দ্ৰই। প্ৰধানমন্ত্ৰীক তাৎক্ষণিকভাৱে মণিপুৰ ভ্ৰমণ কৰি দল-সংগঠনক সাক্ষাৎ দিবলৈ অনুৰোধ জনাই মেঘাচন্দ্ৰই কয় যে মণিপুৰত মানৱ অধিকাৰৰ ব্যাপক উলংঘন ঘটিছে। মণিপুৰ কংগ্ৰেছৰ তত্বাৱধায়ক গিৰীশ চোদংকাৰে কয় যে ৰাজ্যখন মুণ্ডহীন হৈ পৰিছে। হিংসা হৈছে দ্বৈত ইঞ্জিন চৰকাৰৰ শাসনৰ উপজাত। বিজেপিত এনে কোনো নেতা নাই যিয়ে এই হিংসা আৰু অস্থিৰতাৰ পৰা ৰাজ্যখনক উদ্ধাৰ কৰি আনিব পাৰে। ফলত অপহৰণ আৰু হিংসা হৈছে। দ্বৈত ইঞ্জিন চৰকাৰৰ বিফলতা আৰু মানৱীয় সংকটে চৰম সীমাত উপনীত হৈছে। উল্লেখ্য যে, ১১ নৱেম্বৰৰ নিশা সন্দেহজনক কুকি বিদ্ৰোহীয়ে এটা চিআৰপিএফৰ শিবিৰত আক্ৰমণ কৰাৰ পাছতে পুনৰ হিংসাত দপদপকৈ জ্বলি উঠিছে মণিপুৰ। কুকি বিদ্ৰোহীয়ে এটা চিআৰপিএফৰ শিবিৰত আক্ৰমণ কৰাত দুয়োপক্ষৰ সংঘৰ্ষত ১০ সন্দেহজনক কুকি বিদ্ৰোহী নিহত হোৱাত কুকি বিদ্ৰোহীয়ে প্ৰত্যুত্তৰত মেইটেই সম্প্ৰদায়ৰ কেঁচুৱা-কিশোৰীসহ ছয়গৰাকী মহিলাক অপহৰণ কৰি নি হত্যা কৰাত পুনৰ মানৱতাৰ বধ্যভুমিত পৰিণত হৈছে মণিপুৰ। ১৭ নৱেম্বৰৰ পৰা আজিলৈ মণিপুৰৰ মুখ্যমন্ত্ৰীৰ আৱাস, বিজেপিৰ এজন মন্ত্ৰীসহ ১০ বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সম্পত্তি জ্বলাই দিছে আক্ৰোশিত জনতাই। চিআৰপিএফ আৰু চৰকাৰে নিহতসকলক কুকি বিদ্ৰোহী বুলি দাবী কৰাৰ বিপৰীতে কুকি সংগঠনসমূহে নিহত লোকসকলক সাধাৰণ লোক আছিল বুলি দাবী কৰাত পৰিস্থিতি আৰু অধিক জটিল হৈ পৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, এজন মন্ত্ৰীকে ধৰি মুঠ ১৪ জন নেতাৰ বাসগৃহত জ্বলাই দিছে। মুখ্যমন্ত্ৰী, বিজেপিৰ ৯ জন বিধায়ক, এজন কংগ্ৰেছ বিধায়ক, এজন জেডিইউৰ বিধায়ক আৰু এজন নিৰ্দলীয় বিধায়কৰ ঘৰ আক্ৰমণ কৰিছে সা-সম্পত্তি জ্বলাই দিছে। এই অস্থিৰতাৰ কেতিয়া অৱসান হ'ব বুলিও কংগ্ৰেছে প্ৰশ্ন উত্থাপন কৰে। ইফালে, কাইলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে মণিপুৰ কাণ্ডক লৈ কাইলৈ গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰিব। প্ৰদেশ কংগ্ৰেছে ৰাজীৱ ভৱনৰ পৰা সমদল কৰি মণিপুৰৰো দায়িত্বত থকা অসমৰ ৰাজ্যপাল লক্ষ্মণ আচাৰ্যক স্মাৰক পত্ৰ প্ৰদান কৰিবলৈ ৰাজভৱনলৈ সমদল কৰি যাব বুলি সংবাদ মাধ্যমক জনাইছে। এই প্ৰতিবাদৰ নেতৃত্ব দিব অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাক্তন মন্ত্ৰী অনিলৰ গালৈ শিল

কৰাৰ ঘটনাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহ মন্ত্ৰী তথা এনচিপিৰ শাৰদ গোটৰ নেতা অনিল দেশমুখক সোমবাৰে নিশা নাগপুৰৰ কাটোল বিধানসভা সমষ্টিত আক্ৰমণ কৰা হয়। অচিনাক্ত দুৰ্বৃত্তই শিল দলিয়াই গাড়ীৰ গ্লাছ ভাঙি পেলোৱাৰ লগতে কেইবাটাও শিল অনিল দেশমুখৰ মূৰত আঘাত কৰিছিল। মূৰেৰে ৰক্ত প্ৰৱাহিত হোৱাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় নেতাগৰাকী। এটা ভিডিঅ'ত তেওঁৰ মূৰৰ পৰা তেজ বৈ থকা দেখা গৈছে। টাৱেলেৰে মূৰ বান্ধি ৰখা দেখা আছে। বালাচাহেব থোৰাটে আক্ৰমণক গৰিহণা দি কয় যে উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়নবিছৰ জিলাত এজন প্ৰাক্তন গৃহমন্ত্ৰীৰ ওপৰত হোৱা আক্ৰমণে ৰাজ্যখনত আইনৰ শাসন চলিছে নে গুণ্ডাৰ শাসন চলিছে বুলি প্ৰমাণ কৰিছে। বিজেপিয়ে অভিযোগ কৰিছে যে এয়া নিৰ্বাচনী ষ্টাণ্ট। কাটোল বিধানসভা সমষ্টিৰ বিজেপি নেতা অবিনাশ ঠাকৰেই দেশমুখে নিজৰ কৰ্মীসকলৰ দ্বাৰা শিল নিক্ষেপ কৰাইছে বুলি দাবী কৰে। অনিল দেশমুখৰ পুত্ৰ সলিল কাটোল বিধানসভা সমষ্টিৰ এনচিপি শাৰদ গোটৰ প্ৰাৰ্থী। প্ৰচাৰৰ অন্তিম দিনটোত দেশমুখে গোটেই দিনটো অঞ্চলটোত প্ৰচাৰ চলাইছিল। শেষ সভা নাৰখেদ নামৰ ঠাইত আছিল। সভা শেষ হোৱাৰ পিছতে তেওঁ কৰ্মীৰ সৈতে এখন গাড়ীত কাটোললৈ ৰাওনা হোৱাত বেলা ফাটা নামৰ ঠাইত কিছুমান অচিনাক্ত লোকে গাড়ীলৈ শিল নিক্ষেপ কৰাৰ সময়তে আহত হয় নেতাগৰাকী। উল্লেখ্য যে, ৰাজ্যখনত অহা ২০ নৱেম্বৰত ভোটগ্ৰহণ সম্পন্ন হ'ব। ইতিমধ্যে ভোটগ্ৰহণৰ বাবে নিৰ্বাচন আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ২৩ নৱেম্বৰত ঘোষণা হ'ব নিৰ্বাচনৰ ফলাফল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্খাস্ত কৰক ভাৰ্গৱ বৰবৰাক

খোৱা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাক তাৎক্ষণিতভাৱে চাকিৰৰ পৰা বৰ্খাস্ত কৰাৰ দাবী উত্থাপন কৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ভাৰ্গৱ বৰবৰাক তাৎক্ষণিতভাৱে চাকিৰৰ পৰা বৰ্খাস্ত কৰি এক নজিৰ সৃষ্টি কৰিবলৈ দাবী জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। পাণবজাৰ কাণ্ডৰ পিছত আৰক্ষী সচেতন হ'বলগীয়া আছিল যদিও আন কেইবাটাও ঘটনা সংঘটিত হোৱাত আক্ষেপ প্ৰকাশ কৰি দেৱব্ৰত শইকীয়াই কয় যে ঘটনাৰ পাছত আৰক্ষী সচেতন হ'বলগীয়া আছিল। কিন্তু তাৰ পিছতো যোৰহাট, শিৱসাগৰত এনে ঘটনা ঘটিছে। যোৰহাটত পানী কেঁচুৱাক আক্ৰমণ কৰা হৈছে। মোৰ সমষ্টিৰ নাজিৰাৰ অ'এনজিচিৰ নিৰাপত্তাত থকা আৰক্ষীৰ লোকে পৰিচয়পত্ৰ থকা দুই সাংবাদিকক বন্দুক টানি গুলীয়াব খুজিছিল। আজি এখন সংবাদমেলত বিৰোধী দলপতিগৰাকীয়ে কয় যে অসম ৰাজ্যিক মানৱাধিকাৰ আয়োগ, আৰক্ষীৰ দায়বদ্ধতা আয়াগক পৃথকে পৃথকে পত্ৰ প্ৰদান কৰি পাণবজাৰ আৰক্ষী থানাৰ অ'চি ভাৰ্গৱ বৰবৰাক দৃষ্টিমূলক শাস্তি দিবলৈ কৈছো। এনে কৰিলেহে বোধকৰো পুলিচে ৰাইজৰ কথা চিন্তা কৰিব। যদিও জনহিত জনসেৱাৰ্থে বুলি লিখা থাকে, প্ৰধানমন্ত্ৰীয়ে অসম আৰক্ষীক স্মাৰ্ট আৰক্ষী কৰিম বুলি কৈছিল। মুখ্যমন্ত্ৰীয়ে এছপি-ডিএছপিৰ লগতে পোনপটীয়াকৈ ভিডিঅ' কনফাৰেন্স কৰে। গুৱাহাটীলৈ মাতি আনি কনফাৰেন্স কৰে। তাৰ পিছতো এনে ঘটনা অহৰ্নিশে হৈ থকাটো বিষয়াসকলৰ মণিটৰিঙৰ অভাৱ নে ৰাজনৈতিক পৃষ্ঠপোষকতা আছে সেয়া চাব লাগে। অসমত বিভিন্ন প্ৰান্তত আন্দোলন হৈ আছে। সেই আন্দোলন যদি এনেদৰে ধ্বংস কৰিব খুজিছে তেন্তে গণতন্ত্ৰ ধ্বংস হ'ব। সেয়েহে মই পত্ৰ প্ৰদান কৰি আৰক্ষীৰ কাণ্ডত দুয়োটা আয়োগৰ হস্তক্ষেপ দাবী কৰিছো বুলি উল্লেখ কৰে শইকীয়াই। সংবাদমেলত অসম ৰাজ্যিক মানৱাধিকাৰ আয়োগ, আৰক্ষীৰ দায়বদ্ধতা আয়াগে স্বতন্ত্ৰভাৱে কাম কৰিবলগীয়া দুয়োটা সংস্থাকে সুকীয়া সুকীয়াকৈ পত্ৰ প্ৰেৰণ কৰিছো বুলি প্ৰকাশ কৰি কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে এই অভিযোগ দাখিল কৰা হৈছে। ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে বহু অভিযোগ আহিছে। গোৱালপাৰাত থাকোতে ভয়ংকৰ কাণ্ড সংঘটিত কৰা, দীঘলীপুখুৰীপাৰত গছ ৰক্ষাৰ বাবে প্ৰতিবাদ কৰাৰ সময়ত কটন ছাত্ৰ-ছাত্ৰীক প্ৰহাৰ আৰু সিদিনা জ্ঞানদীপ হাজৰিকাক অশালীন ব্যৱহাৰ কৰা আমি দেখিছো। আমি এই কথা আগৰে পৰা কৈ আহিছো যে অসমত পুলিচে বাৰে বাৰে আইন হাতত তুলি লৈছে। পুলিচে আইন হাতত তুলি ল'ব নালাগে। ইয়াৰ বাবে ন্যায় আছে, ন্যায় প্ৰক্ৰিয়া আছে। অসমত যান-বাহন আইন ভংগ কৰিলে ২০০০ টকা জৰিমনা হ'ব লাগে। কিন্তু যুৱকজনক শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰিলে এয়া এক দুখজনক ঘটনা। পাণবজাৰৰ দৰে জনবহুল এলেকাত এনে ঘটনা সংঘটিত হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকক এনে বিষয়াই বৰ্বৰ অত্যাচাৰ কৰিছে নেকি সেয়া চাবলগীয়া। এই গোটেই কথাখিনি চাবলৈ আমি আয়োগ আৰু মানৱাধিকাৰ আয়োগক অনুৰোধ জনাইছো। উচ্চতম ন্যায়ালৰ এটা গোচৰৰ ৰায়দানৰ কথা উল্লেখ কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে সেই ৰায় মতে পুলিচৰ ট্ৰেন্সফাৰ-পোষ্টিং হ'ব লাগে। অসমত তেনেদৰে হৈছে নে নাই সেয়া নাজানো বুলি কৈ দায়বদ্ধতা আয়োগক লৈ প্ৰশ্ন কৰি তেওঁ কয় যে এনে আয়োগবোৰ এটা প্ৰশাসনিক ব্যৱস্থা। বিষয়াই হাত সাৰিবলৈ তেওঁলোকক তেনেকৈ বহুৱাই থৈছে নে ৰাইজৰ অভিযোগবোৰক লৈ কাম কৰিব বুলিও প্ৰশ্ন কৰে শইকীয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিংসা জৰ্জৰিত ৰাজ্য মণিপুৰলৈ

দপদপকৈ জ্বলি উঠিছে মণিপুৰ। এই ঘটনাত চিআৰপিএফৰ গুলীত ১১ জনকৈ সন্দেহজনক কুকি বিদ্ৰোহী নিহত হোৱাৰ পিছতে কুকি বিদ্ৰোহীয়ে প্ৰত্যুত্তৰত মেইটেই সম্প্ৰদায়ৰ কেঁচুৱা-কিশোৰীসহ ছয়গৰাকী মহিলাক অপহৰণ কৰি নি হত্যা কৰে। ১৯ মাহ ধৰি শিবিৰত থকা একেটা পৰিয়ালৰ ৬য়গৰাকী মহিলাক হত্যাৰ পিছতে মেইটেই সম্প্ৰদায়ৰ লোকসকলৰ ধৈৰ্য্যৰ বান্ধ ছিঙি যোৱাত মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু বিধায়কৰ আৱাসত আক্ৰমণ কৰিছে। পৰিস্থিতি অত্যন্ত জটিল হৈ পৰাত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে গুৰুত্বসহকাৰে ল'বলৈ বাধ্য হৈছে। মণিপুৰত পুনৰ হিংসা বৃদ্ধি পোৱাত কেন্দ্ৰই এই সপ্তাহত উত্তৰ-পূৰৰ ৰাজ্যখনত ৫ হাজাৰতকৈও অধিক নিৰাপত্তাৰক্ষী মণিপুৰলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। অতিৰিক্ত ৫০টা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (চিএপিএফ) কোম্পানী মোতায়েন কৰাৰ নিৰ্দেশ দিছে কেন্দ্ৰই। জিৰিবাম জিলাত হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পিছত আৰু আন অঞ্চললৈ বিয়পি পৰাত শেহতীয়াকৈ ২০টা চিএপিএফ কোম্পানী প্ৰেৰণ কৰা হৈছিল যদিও পুনৰ ৫০ টা কোম্পানী প্ৰেৰণৰ সিদ্ধান্ত লৈছে কেন্দ্ৰই। নতুনকৈ কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনীৰ (চিআৰপিএফ) পৰা ৩৫টা কোম্পানী, বাকী ১৫টা কোম্পানী সীমান্ত সুৰক্ষা বাহিনীৰ (বিএছএফ) পৰা আহিব। ইয়াৰ লগে লগে মণিপুৰত নিয়োজিত হৈ থকা সুৰক্ষা বাহিনীৰ কোম্পানীৰ সংখ্যা ২১৮টালৈ বৃদ্ধি পালে। চি.আৰ.পি.এফৰ সঞ্চালক প্ৰধান এ.ডি. সিঙে অন্যান্য চি.এ.পি.এফৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে ইতিমধ্যে ৰাজ্যখনত অভিযানৰ তদাৰক কৰিবলৈ পৰিস্থিতিৰ বুজ লৈছে। ইম্ফল উপত্যকা জিলাৰ কিছু অংশত বৃহৎ পৰিমাণৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাত ইম্ফল পশ্চিম, ইম্ফল পূব, বিষ্ণুপুৰ, থৌবাল, কাকচিং, কাংপোকপি আৰু চুৰাচান্দপুৰ জিলাত দুদিনৰ বাবে ইণ্টাৰনেট স্থগিত ৰখা হৈছে। ইপিনে ৰাজ্যখনত স্কুল-কলেজ বন্ধ ঘোষণা কৰা হৈছে। উত্তৰ-পূবৰ ৰাজ্যখনৰ ইম্ফল পশ্চিম আৰু ইম্ফল পূব জিলাত বৰ্ধিত হিংসা আৰু কাৰফিউ জাৰি কৰাত মণিপুৰ চৰকাৰে সকলো চৰকাৰী বিদ্যালয়, মহাবিদ্যালয় আৰু ৰাজ্যিক বিশ্ববিদ্যালয় ১৯ নৱেম্বৰলৈ বন্ধ ৰখাৰ নিৰ্দেশ দিছে। গৃহ বিভাগৰ সৈতে আলোচনা কৰি উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ সচিবে শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ সুৰক্ষাৰ কথা উল্লেখ কৰি স্কুল-কলেজ ঘোষণা কৰে। ইপিনে গৃহমন্ত্ৰী অমিত শ্বাহে গৃহ মন্ত্ৰালয় বিষয়া আৰু মণিপুৰ চৰকাৰৰ সৈতে আলোচনা কৰি এক বিতং পৰিকল্পনা প্ৰস্তুত কৰা বুলি জানিব পৰা গৈছে। নিৰাপত্তা আৰু আইন-শৃংখলা নিয়ন্ত্ৰণ ৰখাৰ বাবে সৰ্বোচ্চ স্তৰৰ হিংসা ৰোধৰ বাবে গৃহমন্ত্ৰালয় কঠোৰ হ'ব বুলি জানিব পৰা গৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সোমবাৰে মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা কৰিবলৈ গুৰুত্বপূৰ্ণ বৈঠক কৰিব। এই বৈঠকৰ উদ্দেশ্য হৈছে অস্থিৰ পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ আৰু শান্তি নিশ্চিত কৰাৰ বাবে এক ব্যাপক ৰণনীতি প্ৰস্তুত কৰা। এই বৈঠকত ৰাজ্যখনৰ কুকি আৰু মেইটেই সম্প্ৰদায়ৰ প্ৰতিনিধি উপস্থিত থকাৰ সম্ভাৱনা আছে। বৈঠকৰ অন্তত ৰাজ্যখনলৈ শান্তিৰ পৰিৱেশ ঘূৰি আহে নে নাই সেয়া হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'চিৰ পিছত এচিএছৰ দাদাগিৰি

চাঞ্চল্য মাৰ নৌযাওতেই এইবাৰ গুৱাহাটীত এজন এচিএছৰ কাণ্ডই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মহানগৰীত ভঙাগড়ত মদৰ ৰাগীত মাতাল এচিএছ বিষয়াই তাণ্ডৱ সৃষ্টি কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এচিএছ দেৱাশীষ বৰঠাকুৰৰ বিৰুদ্ধে উত্থাপন হৈছে গুৰুতৰ অভিযোগ। জানিব পৰা মতে, মদ্যপান কৰি অহা দেৱাশিস বৰঠাকুৰে ভঙাগড়ত ৰাজহুৱা স্থানত উদ্ভণ্ডালি কৰে। এএছ-০১-এফকে-১৩৯২ নম্বৰৰ মহিন্দ্ৰা এক্সইউভি বাহন মুখ্যপথত ৰখাই কাৰোৰে কথা শুনিবলৈ প্ৰয়াস কৰা নাছিল। দীৰ্ঘ সময় পথৰ মাজত বাহন ৰখাই থোৱাত অইন বাহনৰ চলাচল বন্ধ হৈ পৰিছিল। কৰ্তব্যৰত আৰক্ষীয়ে বাৰে বাৰে গাড়ী আঁতৰ কৰিবলৈ প্ৰয়াস কৰিছিল যদিও আৰক্ষীকহে ওলোটাই ধমক দিয়া বুলি স্থানীয় লোকে অভিযোগ আনিছে। মদৰ ৰাগীত মাতাল হৈ থকা বুলি সন্দেহ কৰা বিষয়াজনে আৰক্ষীকহে নীতিশিক্ষা দিয়াৰ অভিযোগ উঠিছে। অৱশেষত আটক কৰি ভঙাগড় আৰক্ষীয়ে থানালৈ নিয়া হয় এচিএছ দেৱাশীষ বৰঠাকুৰক। স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, কামৰূপ জিলাৰ ৰঙিয়াৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চক্ৰ বিষয়া দেৱাশীষ বৰঠাকুৰ। এচিএছ বিষয়াগৰাকীৰ এই কাণ্ডই পুনৰ আমোলা-বিষয়াৰ দায়বদ্ধতাক লৈ প্ৰশ্নৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ ঘটনাক লৈ চিন্তিত

কেঁচুৰা, শিশু, কিশোৰীসহ ছয়গৰাকী মেইটেই মহিলাক সন্দেহজনক কুকি বিদ্ৰোহীয়ে অপহৰণ কৰি হত্যা কৰাৰ ঘটনাই পুনৰ অগ্নিকুণ্ডত পৰিণত কৰিছে মণিপুৰক। এটি ১০ মহীয়া কেঁচুৰা, এটি আঢ়ৈ বছৰীয়া, এটি ৮ বছৰীয়া কিশোৰীসহ তিনিগৰাকী মহিলাক শিবিৰৰ পৰা নি হত্যাৰ পিছতে ৰাজধানী ইম্ফলৰ লগতে ৭ খনকৈ জিলাত পৰিস্থিতি নিয়ন্ত্ৰণহীন হৈ পৰিছে। মেইটেই জনগোষ্ঠীৰ উত্তেজিত লোকে মুখ্যমন্ত্ৰী, মন্ত্ৰীসহ ১৩ বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সম্পত্তি জ্বলাই দিছে। এনে পৰিস্থিতিত বিজেপি শাসিত ৰাজ্যখনত চৰকাৰ থকা নথকা একেই হৈ পৰিছে। তেনে সময়তে বিজেপিৰ পিতৃ সংগঠন আৰএছএছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মণিপুৰৰ পৰিস্থিতিক লৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ চমুকৈ আৰএছএছৰ মণিপুৰ ৰাজ্যিক সমিতিয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক শীঘ্ৰে সংঘাত নিৰাময় কৰিবলৈ আহ্বান জনাইছে। মহিলা আৰু শিশুক বন্দী কৰি হত্যা কৰি অমানৱীয়ভাৱে হত্যা কৰা ঘটনাক তীব্ৰ গৰিহণা দি এই হিংসা দুৰ্ভাগ্যজনক আৰু নিৰীহ লোকসকলে যথেষ্ট কষ্ট পাইছে বুলি উল্লেখ কৰিছে হিন্দুত্ববাদী সংগঠনটোৱে। বিবৃতিত আৰএছেএছে কয় যে ঘটনা দুৰ্ভাগ্যজনক। মণিপুৰত বিগত বৰ্ষৰ ৩ মে'ৰ পৰা আৰম্ভ হোৱা হিংসা ১৯ মাহ ধৰি অব্যাহত আছে। হিংসাৰ বাবে নিৰীহ লোকসকলে যথেষ্ট কষ্ট পাইছে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ মণিপুৰে মহিলা আৰু শিশুসকলক বন্দী কৰি হত্যা কৰাৰ অমানৱীয়, নিৰ্মম আৰু নিৰ্দয় কাৰ্য্যক তীব্ৰ গৰিহণা দিছে। এই কাৰ্য্য মানৱতা আৰু সহাবস্থানৰ নীতিৰ বিৰোধী। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে চলিত সংঘাত অতি সোনকালে আন্তৰিকতাৰে সমাধান কৰা উচিত বুলিও কয় হিন্দুত্ববাদী সংগঠন আৰএছএছে। ইপিনে দেশৰ বিৰোধীয়ে মণিপুৰত হিংসা ৰোধত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যখনৰ বিজেপি চৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি আহিছে। বিৰোধী দলসমূহ তথা দেশৰ সচেতন মহলে হিংসা ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বাৰে বাৰে আহ্বান জনাই আহিছে যদিও আজিলৈ মণিপুৰ ভ্ৰমণ কৰা নাই প্ৰধানমন্ত্ৰীয়ে। ১৯ মাহ ধৰি হিংসাৰ দাবানাল অবহ্যাহত থকা ৰাজ্যখনত ১১ নৱেম্বৰৰ পৰা পুনৰ জ্বলিবলৈ আৰম্ভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্যৰ্থ শীৰ্ষ নেতৃত্ব! জিৰিবামত বিজেপিৰ

বিজেপিৰ মন্ত্ৰী-বিধায়কৰ আৱাসগৃহকো আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে মণিপুৰত বিজেপিৰ বহু নেতা-কৰ্মীয়ে সমূহীয়া পদত্যাগ কৰিবলৈ আৰম্ভ কৰিছে। ১৭ নৱেম্বৰৰ পৰা আজিলৈ মণিপুৰৰ মুখ্যমন্ত্ৰীৰ আৱাস, বিজেপিৰ এজন মন্ত্ৰীসহ ১০ বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সম্পত্তি জ্বলাই দিছে আক্ৰোশিত জনতাই। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, এজন মন্ত্ৰীকে ধৰি মুঠ ১৪ জন নেতাৰ বাসগৃহত জ্বলাই দিছে। মুখ্যমন্ত্ৰী, বিজেপিৰ ৯ জন বিধায়ক, এজন কংগ্ৰেছ বিধায়ক, এজন জেডিইউৰ বিধায়ক আৰু এজন নিৰ্দলীয় বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সম্পত্তি পৰ্যন্ত জ্বলাই দিছে ক্ষুব্ধ জনতাই। পৰিস্থিতি ইমানেই ভয়ানক হৈ পৰিছে যে বিজেপিৰ শীৰ্ষ নেতৃত্বও জনতাৰ আক্ৰোশৰ পৰা সাৰি যাব পৰা নাই। জনতাৰ আক্ৰোশ বৃদ্ধি পোৱাত বিজেপিৰ তৃণমূল কৰ্মীয়ে দল এৰিবলৈ সিদ্ধান্ত লৈছে। ইতিমধ্যে বহু তৃণমূলৰ কৰ্মীয়ে দলত্যাগ কৰিবলৈ আৰম্ভ কৰিছে। জিৰিবাম জিলাৰ পৰাই হিংসা পুনৰ আৰম্ভ হোৱাত বিজেপিৰ জিৰিবাম জিলাৰ বহু নেতা-কৰ্মীয়ে দলত্যাগৰ ঘোষণা কৰিছে। বিজেপিৰ জিৰিবাম মণ্ডলৰ আঠজন পদবীধাৰীয়ে সাম্প্ৰতিক অৱস্থাত অসন্তুষ্টি প্ৰকাশ কৰি পদত্যাগ পত্ৰ দাখিল কৰিছে। বিজেপিৰ মণিপুৰ প্ৰদেশৰ নেতৃত্বক যুটীয়া পদত্যাগ পত্ৰ প্ৰেৰণ কৰি বিজেপিৰ তৃণমূলৰ নেতাসকলে সামগ্ৰিকভাৱে জিৰিবাম আৰু মণিপুৰত বিৰাজ কৰা অবাঞ্ছিত আৰু অসহায় পৰিস্থিতিত গভীৰ উদ্বেগ প্ৰকাশ কৰে। সমূহীয়া পদত্যাগত বিজেপি জিৰিবাম মণ্ডলৰ সভাপতি যদু সিং, সাধাৰণ সম্পাদক মুতুম হেমন্ত সিং, সাধাৰণ সম্পাদক (সংগঠন) পি বিৰামনি সিং, কাৰ্যবাহী সদস্য মুতুম ব্ৰজেন্দ্ৰো সিং, মেঘাজিত সিং, এল চাওবা সিঙে দলত্যাগৰ ঘোষণা কৰিছে। পদত্যাগ পত্ৰত নেতাসকলে জিৰিবামৰ অৱনমিত পৰিস্থিতি আৰু মণিপুৰৰ অস্থিৰতাৰত ক্ষোভ প্ৰকাশ কৰিছে। জিৰিবাম মণ্ডল বিজেপিৰ আঠজন বিষয়াৰ পদত্যাগে মণিপুৰৰ অৱস্থা কিমান ভয়ানক সেয়া পৰিস্ফুট হৈছে। দলটোৰ স্থানীয় নেতৃত্বৰ ওপৰত কেনেদৰে চাপ পৰিছে সেয়া বৰ্ণনাতীত। হিংসাৰ ফলত ৰাজ্যখনত ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ সৈতে যুঁজিছে। এনে সময়তে জনতাৰ আক্ৰোশ বৃদ্ধি পোৱাত বিজেপিৰ সৈতে জড়িত লোকসকলে নিজকে সুৰক্ষিত কৰিবলৈ বিজেপি ত্যাগ কৰিব পাৰে বুলি ইতিমধ্যে চৰ্চা হৈ আহিছে। ইফালে, সোমবাৰেও উত্তপ্ত হৈ আছে ৰাজ্যখনৰ পৰিস্থিতি। ১২ নৱেম্বৰৰ পৰা পুনৰ উত্তপ্ত হৈ পৰা মণিপুৰত আজি ২০ বছৰীয়া যুৱকৰ বুকু ভেদি গ'ল বন্দুকৰ গুলীয়ে। প্ৰতিবাদ কৰি থকাৰ সময়তে নিৰাপত্তাৰক্ষীৰ গুলীত ৰাজপথত ঢলি পৰি থিতাতে নিহত হয় ২০ বছৰীয়া খুন্দ্ৰাকপাম আথৌবা। আহত এজনক কে বিষাণ বুলি চিনাক্ত কৰা হৈছে। এই গুলীচালনাৰ ঘটনা সংঘটিত হৈছে শেহতীয়া হিংসাৰ কেন্দ্ৰ জিৰিবামত। এই জিৰিবামত চিআৰপিএফৰে লগা সংঘৰ্ষত সন্দেহজনক ১১ কুকি বিদ্ৰোহী নিহত হৈছিল আৰু ইয়াৰে এটা শিবিৰৰ পৰা সন্দেহজনক কুকি বিদ্ৰোহীয়ে অপহৰণ কৰি নি হত্যা কৰিছে কেঁচুৱাসহ ছয়গৰাকী মহিলাক। কেঁচুৰা, মহিলাক অপহৰণ কৰি হত্যা কৰাৰ পাছতে পুনৰ জ্বলি উঠিছে মণিপুৰ। মেইটেই সম্প্ৰদায়ৰ ছয়গৰাকী লোকক হত্যা কৰাত মেইটেই সম্প্ৰদায়ে ৰাজপথলৈ ওলাই আহি ৰাজহুৱা স্থানত টায়াৰ জ্বলাই প্ৰতিবাদ আৰম্ভ কৰিছিল। কিন্তু কেইটামান মুহূৰ্তৰ ভিতৰতে সমগ্ৰ মণিপুৰ জ্বলি উঠে। ইম্ফলৰ ৰাজপথ দখল কৰি মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু কেবাজনো বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সামগ্ৰী জ্বলাই দিছে মেইটেই প্ৰতিবাদকাৰীয়ে। আজিও জিৰিমাবৰত এগৰাকী বিধায়কৰ ঘৰত আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ সময়তে নিৰাপত্তাৰক্ষীয়ে গুলীচালনা কৰে। ৰাজপথত প্ৰতিবাদকাৰীসকলে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগা হয় বুলি জানিব পৰা গৈছে। আৰক্ষীৰ গুলীচালনাত খুন্দ্ৰাকপাম আথৌবা নিহত হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি পুনৰ আগতকৈয়ো অধিক উত্তপ্ত হৈ পৰিছে জিৰিবাম। জিৰিবাম চহৰৰ ৰাজপথত এটা জনতাই প্ৰতিবাদ কৰি থকাৰ সময়তে শাসকীয় বিজেপি আৰু কংগ্ৰেছৰ কাৰ্যালয়ত আক্ৰমণ কৰা হয়। অস্থিৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে সোমবাৰে আৰু মঙলবাৰে কাৰ্ফিউ বলবৎ হৈ থকা ইম্ফল পূব, ইম্ফল পশ্চিম আৰু বিষ্ণুপুৰ জিলাত সকলো শিক্ষানুষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিছে। সাতখন প্ৰভাৱিত জিলাত ইণ্টাৰনেট আৰু মোবাইল সেৱা স্থগিত ৰখা হৈছে। এই ঘটনাৰ পিছতে মুখ্যমন্ত্ৰী এন বীৰেন সিঙে সোমবাৰে সন্ধিয়া ৬ বজাত সকলো কংগ্ৰেছৰ বাদে আন সকলো বিধায়কৰ সৈতে এখন বৈঠকত মিলিত হোৱাৰ ঘোষণা কৰিছে। শেহতীয়াভাৱে উত্তপ্ত পৰিস্থিতিত ২০ জনৰো অধিক লোকৰ মৃত্যু হৈছে। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে জিৰিবাম জিলা। বৰ্তমান অধিক ভয়াৱহ হৈ পৰিছে মণিপুৰৰ জিৰিবামৰ পৰিস্থিতি। আৰক্ষীৰ গুলীত এজন মেইটেই প্ৰতিবাদকাৰী যুৱক নিহত হোৱাৰ লগতে দুজন গুলীবিদ্ধ হোৱাত পৰিস্থিতি আৰু অধিক জটিল হোৱাৰ আশংকা কৰা হৈছে। অস্থিৰ ৰাজ্যখনলৈ কেন্দ্ৰৰ তৰফৰ পৰা প্ৰেৰণ কৰা হৈছে বাহিনী।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পোহৰলৈ লোমহৰ্ষক কাণ্ড! বিলাসীপাৰাত

আন এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। সোমবাৰে সম-জিলাখনৰ টোকৰাবান্ধা পাহাৰত আৰক্ষীয়ে গাঁত খান্দি উদ্ধাৰ কৰে এগৰাকী বিবাহিতা মহিলাৰ অৰ্ধগলিত মৃতদেহ। উদ্ধাৰ হোৱা মৃতদেহটো ৰমেনা খাতুনৰ বুলি জানিব পৰা গৈছে। জানিব পৰা মতে দক্ষিণ শালমাৰাৰ পাটাকাট গাঁৱৰ ৰমেনা খাতুনে প্ৰায় ৪ বছৰ পূৰ্বে টোকৰাবান্ধা গাঁৱৰ ৰফিকুল ইছলামৰ সৈতে প্ৰেমজনিত সম্পৰ্কৰ সূত্ৰে বিবাহ-পাশত আৱদ্ধ হৈছিল। বিয়াৰ পাছত স্বামীৰ সৈতে ৰমেনা আছিল গুৱাহাটীৰ শান্তিপুৰৰ এটা ভাড়াঘৰত। ৰফিকুলে ই-ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰাৰ লগতে ৰমেনায়ো মানুহৰ ঘৰে ঘৰে কাম বন কৰিছিল। প্ৰথম অৱস্থাত সকলো ঠিকেঠাকে চলি আছিল যদিও প্ৰায় এমাহ পূৰ্বে হঠাৎ নিৰুদ্দেশ হয় ৰমেনা। অভিযোগ অনুসৰি ৰমেনা আৰু ৰফিকুলে মহিলা গোটৰ মাজত এখন লটাৰী খেল অনুষ্ঠিত কৰিছিল। পাছত বহু মহিলাৰ পৰা মাহিলি ২ হাজাৰ টকাকৈ ধন সংগ্ৰহ কৰি কেইবালাখ টকা লৈ দুয়ো পলায়ন কৰিছিল। বিলাসীপাৰালৈ দুয়ো পলাই অহাৰ পাছতেই দীৰ্ঘদিন ধৰি সন্ধানহীন হৈ আছিল ৰমেনা। এই ঘটনাৰ পিছত গুৱাহাটীলৈ আহি ভৰলুমুখ আৰক্ষী থানাত পত্নীৰ নিৰুদ্দেশ সন্দৰ্ভত এজাহাৰ দাখিল কৰিছিল ৰমেনাৰ স্বামী ৰফিকুলে। পৰৱৰ্তী সময়ত ৰমেনাৰ মাতৃয়েও এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পাছত এই ঘটনাৰ তদন্ত আৰম্ভ কৰে আৰক্ষীয়ে। তদন্তত বহু ভয়ংকৰ তথ্য পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ৰফিকুলৰ জ্যেষ্ঠ ভাতৃ হাবিজুল ইছলমাৰ লগতে কেইবাজনক আটক কৰি সোধা-পোছা কৰে। হাবিজুলৰ স্বীকাৰোক্তিৰ ভিত্তিতেই আৰক্ষীয়ে বিলাসীপাৰাৰ টোকোৰাবন্ধাত এক্সকেভেটৰৰে গাঁত খান্দি ৰমেনা খাতুনৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষী আৰু স্থানীয় লোকসকলে পত্নী ৰমেনা খাতুনক হত্যা কৰি স্বামী ৰফিকুলে গাঁতত পুতি থৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে। দণ্ডাধীশৰ উপস্থিতিত সোমবাৰে গাঁত খান্দি মৃতদেহ উদ্ধাৰ কৰাৰ পিছতে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে ৰফিকুলৰ ভাতৃ হাফিজুল ইছলামসহ কেইবাজনকো আটক কৰিছে যদিও ঘটনাটোৰ মূল অভিযুক্ত মহিলাগৰাকীৰ স্বামী ৰফিকুল এতিয়াও পলাতক অৱস্থাত আছে। কি কাৰণত মহিলাগৰাকী হত্যাৰ বলি হ'ল আৰু হত্যাৰ সৈতে লটাৰীৰ কোনো সম্পৰ্ক আছিল নেকি সেয়া জানিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মনৰ দুখীয়া লোকেৰে ভৰিছে গুৱাহাটী

তৃষ্ণা পূৰোৱাৰ পৰিৱৰ্তে প্ৰহাৰ কৰা হয় এইখন গুৱাহাটীত। যিখন মহানগৰত এসাঁজ ভাত, এটুপি গাখীৰৰ বাবে মানুহক প্ৰহাৰ কৰা হয়, সেইখন মহানগৰত মনৰ দুখীয়া মানুহৰ যে অভাৱ নাই সেই কথা স্পষ্ট হৈছে। অসমীয়া জাতিয়ে ক্ষুধাতুৰ, ভোকাতুৰৰ ভোক নিবাৰণ কৰাটো মহৎ কাম বুলি ভাবে। আজিও অসমীয়া সমাজে তৃষ্ণাতুৰক পানী, ভোকাতুৰক অন্ন প্ৰদান কৰিলে মৃত্যুৰ পাছত মোক্ষ প্ৰাপ্তি হয় বুলি বিশ্বাস কৰে। অসমীয়াৰ এই পৰম্পৰা, খ্যাতিক ধূলিস্যাৎ কৰিছে হিমাংশু বৈশ্য আৰু জয়ন্ত তালুকদাৰে। ভোকত থকা, তৃষ্ণাতুৰ এটা কিশোৰীক গাখীৰ খোৱাৰ পৰা বঞ্চিত কৰাই নহয়, প্ৰহাৰ কৰিছে হিমাংশু বৈশ্য আৰু জয়ন্ত তালুকদাৰে। সভ্য মানুহে বসবাস কৰা বুলি দাবী কৰি অহা গুৱাহাটী মহানগৰীত তৃষ্ণাতুৰ কিশোৰক গাখীৰ চুৰি কৰাৰ অপৰাধত প্ৰহাৰ কৰাৰ ঘটনা জানিব পাৰি বহু লোকৰ অন্তৰ কান্দি উঠিছে। গাখীৰ চুৰি কৰাৰ অপৰাধত কিশোৰক অবৰ্ণনীয় অত্যাচাৰৰ এটা ভিডিঅ' ভাইৰেল হোৱাত ইতিমধ্যে আৰক্ষীয়ে হিমাংশু বৈশ্য আৰু জয়ন্ত তালুকদাৰক গ্ৰেপ্তাৰ কৰিছে। ভোকত থাকিব নোৱাৰা কিশোৰে গাখীৰ চুৰি কৰিবলৈ অহাৰ সময়ত তাক আব্দাৰ কৰি ভোক আতৰাবলৈ পেট ভৰাই খুৱাই ঘৰলৈ পঠিয়াই দিব লাগিছিল। কিন্তু তাকে নকৰি বৰ্বৰভাৱে প্ৰহাৰ কৰি মানৱ সমাজক কলংকিত কৰিছে হিমাংশু আৰু জয়ন্তই। এনে অভিযোগেৰে এতিয়া সামাজিক মাধ্যম ভৰি পৰিছে। ভাইৰেল এটা ভিডিঅ'ত এজন কিশোৰ। তাক বৰ্বৰভাৱে প্ৰহাৰ কৰা হৈছে। বিদ্যুতৰ খুঁটাত বান্ধি যিয়ে যেনেকৈ পাৰে প্ৰহাৰ কৰি গৈছে। চৰ, ভুকুত মুখেৰে তেজ বৈ গৈছে। কাৰণ সি অপৰাধ কৰিছে। সি চুৰি কৰিছে। চুৰি কৰিছে বাবেই শাস্তি দিয়া হৈছে। জানিব পৰা মতে, কিশোৰজনে এপেকেট গাখীৰ চুৰি কৰিছিল। চুৰি কৰিবলৈ ধৰাৰ সময়তে প্ৰথমে খেদি গৈ ৰাস্তাত পেলাই মূৰত গচকি দিয়া হৈছিল। দোকানীয়ে প্ৰহাৰ কৰিয়েই ক্ষান্ত নাথাকি ৰাজহুৱাকৈ প্ৰহাৰ কৰিবলৈ ব্যৱস্থা কৰি দিয়া হ'ল। গণ প্ৰহাৰত ৰক্তাক্ত হ'ল কিশোৰ। গুৱাহাটী মহানগৰীৰ কাহিলীপাৰাৰ জটিয়াত সংঘটিত হয় এই ঘটনা। সেই ভিডিঅ' প্ৰচাৰ হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে, বহু পলমকৈ ভগদত্তপুৰ আৰক্ষীয়ে কিশোৰজনক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰাই প্ৰাণ ৰক্ষা কৰে। গণপ্ৰহাৰৰ নেতৃত্ব দিয়া স্থানীয় হিমাংশু বৈশ্য আৰু জয়ন্ত তালুকদাৰ গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ভিডিঅ'টোত মোক এৰি দিয়ক আৰু কেতিয়াও এনেকুৱা নকৰো বুলি চিঞৰি থকা কিশোৰটো দৰিদ্ৰ ঘৰৰ বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাণ্টিয়াগোৰ প্ৰতিষ্ঠানত অভিযান

ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেডৰ সৈতে সম্পৰ্কিত ২২ স্থানত অভিযান প্ৰৱৰ্তন সঞ্চালকালয়ে (ইডি) অভিযান চলাই। অভিযানত ১২.৪১ কোটি টকা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। লটাৰী কিং নামেৰে জনাজাত ছাণ্টিয়াগো মাৰ্টিন আৰু তেওঁৰ কোম্পানী ফিউচাৰ গেমিং এণ্ড হোটেল চাৰ্ভিচেছ প্ৰাইভেট লিমিটেডৰ সৈতে সম্পৰ্কিত প্ৰায় ২২টা স্থানক লক্ষ্য কৰি লোৱা হৈছিল। ইডিয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত এই অভিযানৰ বিষয়ে তথ্য উল্লেখ কৰিছে। তামিলনাডু, পশ্চিমবংগ, কৰ্ণাটক, উত্তৰ প্ৰদেশ, মেঘালয় আৰু পঞ্জাৱত চলা অভিযানৰ সময়ত ইডিয়ে আপত্তিজনক নথিপত্ৰ, ডিজিটেল সঁজুলি, নগদ ১২.৪১ কোটি টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। টকাসমূহ জব্দ কৰা হৈছে। ইয়াৰ লগতে ৬.৪২ কোটি টকাৰ এফডিআৰও জব্দ কৰা হৈছে। উল্লেখ্য যে নিৰ্বাচনী বণ্ডৰ সময়ত তেওঁ চৰ্চালৈ আহিছিল।



ট্ৰফীৰ সৈতে বড়োলেণ্ড শ্বহীদ স্বৰ্ণ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চেম্পিনয় দল মুছলপুৰ ইয়ং ইলেভেন স্পোৰ্টচ ক্লাবৰ একাংশ খেলুৱৈ, ফটোঃ ই-সংবাদ, মুছলপুৰ

# বাগৰিল শিক্ষাৰ্থী কঢ়িয়াই নিয়া বাহন, আহত ২৩ জন

**ই-সংবাদ, ডুমডুমা, ১৮ নৱেম্বৰঃ** শদিয়া সম-জিলাৰ  ন-শদিয়া আৰক্ষী চকীৰ অধীনৰ ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পুৰণি লক্ষীমপুৰীয়া গাঁৱত আজি এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি, শদিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ভীষ্মক নগৰ মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ৩ মাইল চাপৰি প্ৰাথমিক বিদ্যালয়ত আজি অনুষ্ঠিত হোৱা "ৰাইজৰ উৎসৱ" শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ শদিয়া পদুমফুলা প্ৰাথমিক বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে এখন টাটা এচি গাড়ীত গৈ থকাৰ সময়তে গাড়ীখনে হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই ৰাষ্ট্ৰীয় ঘাইপথত বাগৰি পৰে। দুৰ্ঘটনাটোত কণ-কণ ছাত্ৰ-ছাত্ৰীসহ প্ৰায় ২৩ জন লোক আঘাতপ্ৰাপ্ত হোৱাৰ কথা জানিব পৰা গৈছে। আঘাতপ্ৰাপ্ত আটাইকেইজনকে স্থানীয় লোকৰ সহযোগত ততাতৈয়াকৈ শদিয়া মহকুমা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিওঁ আৰু ইয়াৰে ১২ গৰাকীক প্ৰাথমিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ৩ গৰাকী অভিভাৱিকা ক্ৰমে পূৰবী সোণোৱাল, মনীকা বুঢ়াগোহাঁই, মনালিছা গগৈসহ নীৰৱ গগৈ নামৰ ছাত্ৰজনক সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, দুৰ্ঘটনাটোত বিদ্যালয়খনৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ নীৰৱ গগৈ (৬)ৰ এখন হাত চিঙি যায় বুলি দুৰ্ঘটনাৰ প্ৰত্যক্ষদৰ্শীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

## আৰ্জি লৈ গৃহমন্ত্ৰালয় পালে এনডিএফবিৰ প্ৰতিনিধি দল

# ৰঞ্জন দৈমাৰীক মুক্তি প্ৰদানৰ দাবী

**ই-সংবাদ, ১৮ নৱেম্বৰঃ** নতুন দিল্লীত আজি নেচনেল ডেমক্ৰেটিক ফ্ৰণ্ট অৱ বড়োলেণ্ড চমুকৈ এনডিএফবিৰ প্ৰাক্তন সাধাৰণ সম্পাদক সঞ্জয় স্বৰ্গিয়াৰীৰ নেতৃত্বত এটা সজাতি দলে গৃহ মন্ত্ৰালয়ৰ উত্তৰ-পূৱ ক্ষেত্ৰৰ উপদেষ্টা এ.কে মিশ্ৰক সাক্ষাৎ কৰি ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণৰ দোষী এনডিএফবিৰ নেতা ৰঞ্জন দৈমাৰীক মুকলি কৰি দিয়াৰ আহ্বান জনায়। ৰঞ্জন দৈমাৰী আৰু এনডিএফবিৰ শেষাংশ ১৩ পৃষ্ঠাত

# আলোচনাৰে চৰকাৰে মণিপুৰৰ সমস্যা সমাধান কৰক

## সমৰ্থন প্ৰত্যাহাৰ কৰি এনপিপিৰ সংবাদমেল

**ই-সংবাদ, ইম্ফল, ১৮ নৱেম্বৰঃ** উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক দলসমূহে মণিপুৰত শেহতীয়াকৈ উদ্ভৱ হোৱা ভয়ংকৰ পৰিস্থিতিক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে মেঘালয়ৰ শাসকীয় দল দল এনপিপিয়ে মণিপুৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰৰ ঘোষণা কৰিছে। এইবাৰ বিজেপিৰ সহযোগী মণিপুৰ আৰু নাগালেণ্ড চৰকাৰৰ অংশীদাৰী দল নাগা পিপলছ ফ্ৰণ্ট এনপিএফে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মণিপুৰত ৫ বিধায়ক থকা এনপিএফে জিৰিবামত ছয়গৰাকী নিৰীহ মহিলা আৰু শিশুক শীতল মস্তিষ্কৰে কৰা হত্যাক তীব্ৰ গৰিহণা দি ঘটনাক আধুনিক বিশ্বৰ বাবে অযোগ্য অমানৱীয় আৰু শেষাংশ ১৩ পৃষ্ঠাত



# আছে গৰু, নাবায় হাল! বাঘজান পশু চিকিৎসালয়ত দীৰ্ঘদিন ধৰি নাই চিকিৎসক

**ই-সংবাদ, ডুমডুমা, ১৮ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ বাঘজান পশু চিকিৎসালয়ৰ দুৰৱস্থাই বিপাঙত পেলাইছে সাধাৰণ ৰাইজক। বিগত পাঁচ বছৰতকৈ অধিক সময় ধৰি বাঘজান পশু চিকিৎসালয়ত নাই নিয়মীয়া চিকিৎসক। যাৰ বাবে বছৰ-বছৰ ধৰি যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে বৃহত্তৰ বাঘজান অঞ্চলবাসীয়ে। শেহতীয়াকৈ ২০২০ বৰ্ষৰ বিশ্বজুৰি চৰ্চিত বাঘজান অইল বিস্ফোৰণ কাণ্ডত অস্থায়ী আশ্ৰয় শিবিৰত থকা বাঘজানবাসীৰ মাজত উপস্থিত হৈ অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত কেইবাটাও উন্নয়নমূলক আঁচনি ঘোষণা কৰিছিল। ইয়াৰ ভিতৰত অন্যতম আছিল বাঘজান গাঁৱত উন্নতমানৰ এখন পশু চিকিৎসালয় নিৰ্মাণ কৰা। ঘোষণাৰ এবছৰৰ পাছতে পশু চিকিৎসালয়খন ঠিকেই নিৰ্মাণ হ'ল। কিন্তু চিকিৎসালয়ত আজিকোপতি নহ'ল স্থায়ী চিকিৎসকৰ নিয়োগৰ ব্যৱস্থা। চিকিৎসক নিয়োগৰ লগতে চকীদাৰ নিয়োগৰ সন্দৰ্ভত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘই জিলা পশুপালন ও পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়ত যোৱা ২০২২ চনত লিখিতভাৱে আবেদন জনাইছিল। ইয়াৰ পৰৱৰ্তী সময়ত ডুমডুমাৰ পৰা ডাঃ নিলাক্ষী ডেকা নামৰ এগৰাকী মহিলা চিকিৎসকক দায়িত্ব দিয়া হ'য়। চিকিৎসক গৰাকীয়ে বাঘজান পশু চিকিৎসালয়লৈ মাত্ৰ দুই-তিনিদিন আহিয়েই আমুৱাত দুলেশ্বৰ শইকীয়া নামৰ এগৰাকী সহকাৰী ক্ষেত্ৰ বিষয়াক চিকিৎসালয় খনত নিয়োগ কৰা হ'য় যদিও তেখেতৰ পৰা ৰাইজে সময়মতে কোনো ধৰণৰ সঁহাৰি লাভ নকৰে। অপ্ৰিয় হ'লেও সত্য যে চিকিৎসালয়ত এতিয়া চিকিৎসকৰ বিপৰীতে উপলব্ধ কেৱল গৰু-ছাগলী। ইতিমধ্যে অঞ্চলটোৰ বহু পশুধনৰ বেমাৰত পৰি মৃত্যু হৈছে। এই অভিযোগ স্থানীয় দল-সংগঠন আৰু ৰাইজৰ। অসম মৰাণ সভা বাঘজান শাখাৰ সভাপতি ৰূপম মৰাণে এই সন্দৰ্ভত কয় যে চিকিৎসকৰ অভাৱৰ বাবেই অঞ্চলটোৰ বহু লোকৰ পোহনীয়া গৰু, ছাগলীৰ বেমাৰ হৈ মৃত্যুমুখত পৰিছে। অনাগত দিনত যাতে কোনো ধৰণৰ পশুধনৰ মৃত্যু নঘটে তাৰ বাবে চিকিৎসালয়ত নিয়মীয়াকৈ চিকিৎসক নিয়োগ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক তেওঁ ইয়াৰ জৰিয়তে দাবী জনাইছে। উল্লেখ্য যে, বাঘজান পশু চিকিৎসালয়ৰ চাৰিসীমাৰ কোনো বেৰা বা দেৱাল নাই। যাৰ বাবে গোহালিলৈ পৰিণত হৈছে চিকিৎসালয়খন। "আছে গৰু নাবায় হাল, থকাতকৈ নথকাই ভাল"ৰ দৰে অৱস্থা হৈ পৰা বাঘজান পশু চিকিৎসালয়খন শীঘ্ৰে কাৰ্যক্ষম কৰিবলৈ ৰাইজে দাবী জনাইছে। চৰকাৰে চিকিৎসালয়খনত নিয়মীয়া চিকিৎসক-কৰ্মচাৰী নিয়োগকে ধৰি আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# মাজুলীৰ নতুন কমলাবাৰী সত্ৰত কাব্য গুৰু অজিত দত্তক সম্বৰ্ধনা



**ই-সংবাদ, চাবুৱা, ১৮ নৱেম্বৰঃ** অসমৰ এজন চিৰ পৰিচিত কবি সাহিত্যিক তথা লোক সংস্কৃতিৰ সাধক হৈছে কাব্য গুৰু অজিত দত্ত। যিগৰাকী কবিৰ কবিতাই অসমৰ সুহৃদ পঢ়ুৱৈ সমাজৰ মনত আলোড়ন তোলাৰ উপৰি তেওঁৰ সাহিত্য সাধনাই অসমীয়া সাহিত্যৰ ভঁৰালটোক চহকী কৰি তুলিছে। তেওঁৰ অমূল্য গ্ৰন্থই ইতিমধ্যেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপৰি ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড় হনুমান বক্স কানৈ মহাবিদ্যালয়ৰ লগতে অসমৰ বহু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত সংৰক্ষিত হৈ আছে। সাংস্কৃতিক দিশত থকা বিশেষ দক্ষতাৰ বাবে তেখেতে ইতিপূৰ্বে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে অংশগ্ৰহণ কৰিছে। তেওঁৰ কাব্য সাহিত্যত থকা অনবদ্য দখলৰ বাবে ইতিমধ্যেই অসম মুলুকৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ তৰফৰ পৰা কাব্য কেশৰী, কাব্য সৌদামিনী, কাব্য সুধা, কাব্য পুৰুষ, কাব্য ৰত্ন, কাব্য সুধাকৰ, কাব্য মহৰ্ষি, কাব্য বাগীশ, কাব্য গুৰু আদি বিভিন্ন উপাধিৰে বিভূষিত হৈছে। তেনে এজন বিশিষ্ট কবি সাহিত্যিক তথা লোক সংস্কৃতিৰ সাধক কাব্য গুৰু অজিত দত্ত দেৱক যোৱা ১৫ নৱেম্বৰত মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ ৰাস উদযাপন সমিতিৰ তৰফৰ পৰা ৰাস উদযাপনৰ মঞ্চত সশ্ৰদ্ধ সম্বৰ্ধনা জ্ঞাপন কৰে। এনে এগৰাকী অসম মুলুকৰ আগশাৰীৰ কবি সাহিত্যিক তথা লোক সংস্কৃতিৰ সাধক কাব্য গুৰু অজিত দত্ত দেৱ জন্ম সূত্ৰে ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ মদাৰখাত মৌজাৰ হাটখোলা গাঁৱৰ প্ৰয়াত হেমচন্দ্ৰ দত্ত আৰু দীপেশ্বৰী দত্তৰ মাজু পুত্ৰ আৰু চাকৰি সূত্ৰে অস্থায়ী ভাৱে তিনিচুকীয়াৰ বাসিন্দা। এইজনা বিশিষ্ট ব্যক্তিক এনেদৰে যোৱা ১৫ আৰু ১৬ নবেম্বৰত মাজুলীৰ নতুন কমলাবাৰী সত্ৰত অনুষ্ঠিত ৰাস মহোৎসৱত সম্বৰ্ধনা জনোৱাৰ বাতৰিয়ে সমগ্ৰ মদাৰখাতবাসীক আহ্লাদিত আৰু গৌৰবান্বিত কৰি তোলাৰ লগতে তিনিচুকীয়া বাসীকো আহ্লাদিত আৰু গৌৰবান্বিত কৰি তুলিছে।

# হাজোত বোৱাৰী নিৰ্যাতন, গৰ্ভস্থ ভ্ৰূণ হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ স্বামীৰ বিৰুদ্ধে

**ই-সংবাদ, হাজো, ১৮ নৱেম্বৰঃ** যৌতুকৰ বাবে বোৱাৰীৰ ওপৰত পুনৰ নিৰ্যাতনৰ ঘটনা সংঘটিত হ'ল হাজোত। হাজোৰ হাবলাখাত সংঘটিত হৈছে এই চাঞ্চল্যকৰ ঘটনা। ঘটনা অনুসৰি দুবছৰ পূৰ্বেই হাজোৰ হাবলাখা গাঁৱৰ ৰুবুল আলীৰ সৈতে নিকাহত বহিছিল হিৰাজেনী গাঁৱৰ ছাহিদা খাতুনে। কিন্তু বিয়াৰ ছমাহ পাছতে যৌতুক বিচাৰি স্বামী ৰুবুল আৰু তেওঁৰ মাতৃয়ে মিলি বোৱাৰী ছাহিদাৰ ওপৰত আৰম্ভ কৰিলে মানসিক তথা শাৰীৰিক নিৰ্যাতন। আনকি তিনিমাহৰ অন্তঃসত্বা বোৱাৰী ছাহিদাৰ গৰ্ভস্থ ভ্ৰূণ স্বামী ৰুবুল আৰু শাহু পৰিস্কাৰ বিবিয়ে জোৰ-জুলুমকৈ ঔষধ খুৱাই কৰিলে হত্যা। ইয়াৰ পিছতো পত্নী ছাহিদা খাতুনে সকলো নিৰ্যাতন সহ্য কৰি গ'ল একমাত্ৰ নিজৰ সংসাৰখন বচাই ৰাখিবলৈ। এনদৰে পুনৰ দ্বিতীয়বাৰলৈ অন্তঃসত্বা হয় ছাহিদা। এইবাৰ পাঁচমাহৰ গৰ্ভৱতী ছাহিদাৰ পেটত গুৰিয়াই গুৰিয়াই গৰ্ভস্থ সন্তানক হত্যা কৰিলে স্বামী ৰুবুল আৰু শাহু পৰিস্কাৰে। অচেতন অৱস্থাত ছাহিদাক মাতৃগৃহৰ লোকে হাস্পাতালত ভৰ্তি কৰোৱাৰ লগতে হাজো আৰক্ষী থানাত দাখিল কৰে এজাহাৰ। যদিও, পুনৰবাৰ নিজৰ সংসাৰৰ কথা ভাবিয়েই আপোচ মীমাংসাত স্বামীৰ ঘৰলৈ যায় ছাহিদা খাতুন। পুনৰ তৃতীয়বাৰলৈ গৰ্ভৱতী হোৱা ছাহিদাক এইবাৰ ঔষধ খুৱাই গৰ্ভস্থ ভ্ৰূণ হত্যাৰ চেষ্টা চলালে স্বামী আৰু শাহুয়ে। একমাত্ৰ ঔষধ নোখোৱাৰ বাবেই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰি আহত কৰিলে ছাহিদাক। অৱশেষত অতিস্থ ছাহিদাৰ মাতৃগৃহৰ লোকে স্বামী ৰুবুল আৰু তেওঁৰ পৰিয়ালৰ লোকৰ বিৰুদ্ধে হাজো আৰক্ষী থানাত দাখিল কৰিলে এজাহাৰ। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত আৰম্ভ কৰিছে তদন্ত।



মহাৰাষ্ট্ৰত নিৰ্বাচনী প্ৰচাৰ সামৰি অমৃতসৰৰ হৰমন্দিৰ চাহিব গুৰুদ্বাৰত সেৱা ল'লে ৰাহুল গান্ধীয়ে, সোমবাৰে

# দলগাঁৱঁত অবৈধ বিদ্যালয় বন্ধ কৰাৰ নামত ৰমৰমীয়া বেহা

**ই-সংবাদ, দলগাঁও, ১৮ নৱেম্বৰঃ** দেশজুৰি শিক্ষাৰ্থীসকলৰ বাবে আপাৰ নম্বৰ বাধ্যতামূলক কৰাৰ পিছতে জিলা আয়ুক্তৰ জাননীয়ে নিদ্ৰা হৰিছে অবৈধ স্কুলৰ। যোৱা ৯ আগষ্ট, ২০২৪ তাৰিখে দৰং জিলা আয়ুক্তৰ DA/TT/QSE/618 নং নিৰ্দেশক অনুসৰণ কৰি দলগাঁও খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই পূৰ্বে ২ নং মাজগাঁৱৰ আবুল কালাম মডেল একাডেমী, ৫ নং বৰুৱাঝাৰৰ ছানৰাইজ একাডেমী আৰু আল হায়াত একাডেমী বন্ধ কৰিবলৈ জাননী জাৰি কৰে। যোৱা ১১ নৱেম্বৰত দলগাঁও খুটিৰ ড্ৰীম লাইফ একাডেমী আৰু জামালপুৰৰ জ্ঞানজ্যোতি জাতীয় বিদ্যালয় বন্ধ কৰিবলৈ পৃথকে নিৰ্দেশ জাৰি কৰিছে। মনকৰিবলগীয়া যে, অৰ্ধশতাধিক অবৈধ স্কুলৰ ভিতৰত শিক্ষা বিষয়াগৰাকীয়ে এতিয়ালৈ মাত্ৰ ৫ খনমান বিদ্যালয় বন্ধৰ নিৰ্দেশে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। খেনক দেখি ৰান্ধ-বাঢ়ে, খেনক দেখি দুৱাৰ মাৰে বুলি জাননী লাভ কৰা অবৈধ স্কুলসমূহৰ মাজত ব্যাপক চৰ্চা চলিছে। আশ্চৰ্যজনকভাৱে যি পাঁচখন বিদ্যালয় বন্ধ কৰিবলৈ বিভাগে জাননী জাৰি কৰিছে সেয়া বৰ্তমানলৈ চলি থকাটোৱে শিক্ষা বিভাগৰ সোপাচিলা নীতি উদঙাই দিছে। ইফালে, শিক্ষা বিভাগৰ বন্ধৰ জাননী পোৱা, নোপোৱা অবৈধ স্কুলসমূহৰ এটি গোটে সঘনে বৈঠকত বহি ভৱিষ্যত কাৰ্যপন্থা উলিয়াবলৈ যত্নপৰ হৈ থকাৰ সমান্তৰালভাৱে বিভাগীয় লোকক মেনেজ কৰিবলৈও উঠি-পৰি লাগিছে। ইউ ডাইচ কোড নথকা স্কুলসমূহে হাহাকাৰ কৰি থকা বিষয়টোক সুযোগ হিচাপে লৈ বিভাগীয় বিষয়া-কৰ্মচাৰী বুজাপৰা কৰা বুলি বন্ধৰ জাননী পোৱা একাংশ স্কুলে অভিযোগ তুলিছে। নাম প্ৰকাশত অনিচ্ছুক অবৈধ স্কুলসমূহৰ এজন মালিকে সদৰি কৰা মতে অবৈধ স্কুল বন্ধৰ প্ৰক্ৰিয়া সাময়িকভাৱে বন্ধ ৰাখিবলৈ ব্লক আৰু পৰিদৰ্শকৰ কাৰ্যালয়ৰ এজন কৰ্মচাৰীৰে বুজাপৰা হোৱা বুলিও দাবী কৰে। এইক্ষেত্ৰত পৰিস্থিতিৰ জটিলতা বুজি দৰদাম চলি থকা বুলি সূত্ৰটোৱে দাবী কৰে। প্ৰশ্ন হৈছে- অবৈধ স্কুল বন্ধক লৈ বেপাৰ চলিছে নেকি? যদি দাবী কৰা মতে বুজাপৰা হৈছে, তেন্তে কোন কৰ্মচাৰী জড়িত হৈ আছে আৰু যদি ইউ ডাইচ কোড নথকা স্কুল চৰকাৰে বন্ধ কৰেই তেন্তে কিয় বাছি বাছি জাৰি কৰিছে স্কুল বন্ধৰ নিৰ্দেশনা।

# তহিলং ধাননি পথাৰ চামগুৰিৰ গ্ৰামাঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ

**ই-সংবাদ, পুৰণিগুদাম, ১৮ নৱেম্বৰঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰি গ্ৰামাঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত ভৰাগুৰি, পদুমণি, ডিলকাবস্তি, শিঙিয়া, গেন্ধালী, ভকতগাঁও, কেকোঁৰাচুক, শিঙিয়া মাজৰআটি, চলচলিৰ চাংচকীকে ধৰি বিভিন্ন অঞ্চলত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰিৰ বিভিন্ন অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বৰ্তমানলৈকে বহুলোকৰ বাসগৃহৰ লগতে ভঁড়ালঘৰ আৰু পাকঘৰ ভাঙি তহিলং কৰিছে। ইফালে, আঘোণ মাহৰ পকা ধাননি পথাৰ জাক-জাক বনৰীয়া হাতীয়ে খাই লণ্ড-ভণ্ড কৰিছে। বনৰীয়া হাতীৰ জাক কে'বাটাও ভাগত বিভক্ত হৈ গাঁওসমূহৰ ধাননি পথাৰসমূহ খাই তহিলং কৰাত দৰিদ্ৰ পৰিয়ালসমূহে মূৰে-কপালে হাত দিবলগীয়া হৈছে। চামগুৰিৰ গ্ৰামাঞ্চলসমূহত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে যদিও আজি পৰ্যন্ত বন বিভাগে হাতীকেইটা পাহাৰলৈ খেদি পঠাবলৈ সক্ষম হোৱা নাই। বন বিভাগে সন্ধ্যাৰ পৰা কিছু সময় বনৰীয়া হাতী খেদিবলৈ চেষ্টা কৰে যদিও বন বিভাগৰ লোক নথকাৰ সময়ত পুনৰ নিশালৈকে বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই ধাননি পথাৰ লণ্ড-ভণ্ড কৰাৰ লগতে বাসগৃহ, ভঁৰালঘৰ ভাঙি লণ্ড-ভণ্ড কৰে। উক্ত অঞ্চলটোৰ ৰাইজে উজাগৰী নিশা কটাবলগাত পৰিছে।



দলগাঁৱৰ খেল মহাৰণৰ অনুষ্ঠানৰ এটি মুহূৰ্ত



শদিয়া সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস-২০২৪ উদযাপনৰ এটি মুহূৰ্ত

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ পত্ৰ প্ৰেৰণ

# ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ নিৰ্বাচনক লৈ তীব্ৰ বিতৰ্ক

**ই-সংবাদ, মিৰ্জা, ১৮ নৱেম্বৰঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া বাছনিক লৈ তীব্ৰ বিতৰ্কৰ সূচনা হৈছে। এক প্ৰকাৰ এই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ দিনমণি কলিতাৰ চৰম পক্ষপাতমূলক কথাৰ বাবেই এনে ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। এনে কাৰ্যক লৈ এই ৰামপুৰ অঞ্চলটোৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হৈছে। উল্লেখ্য যে ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন যোৱা ৬ নৱেম্বৰত অনুষ্ঠিত হৈ যায়। অৱশ্যে কেইবাটাও পদত কোনো প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগ নবঢ়োৱাত খালী হৈ থকা পদৰ বাবে যোৱা ১৬ নৱেম্বৰত মহাবিদ্যালয় কৰ্তপক্ষই ছাত্ৰ-ছাত্ৰীসকলৰ লগত এখন সভা অনুষ্ঠিত কৰে। এই পদসমূহৰ বাবে বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰি আজি ১৮ নৱেম্বৰত মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নাম মহাবিদ্যালয়খনৰ জাননী ফলকত আঁৰি দিয়ে। এই ঘটনাৰ পিছতে আজি মহাবিদ্যালয়খনত এক বিতৰ্কৰ সূচনা হয়। অভিযোগ মতে, এই মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাত ২০২২-২৩ বৰ্ষৰ সাধাৰণ সম্পাদক আছিল হিৰণ্য দাস। তেনেস্থলত এইবেলি ২০২৪-২৫ বৰ্ষৰ বাবে আলোচনী সম্পাদক পদৰ বাবে পুনৰ হিৰণ্য দাসক বাছনি কৰা হয়। এই কথা ফাদিল হোৱাৰ পিছতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ তীব্ৰ আপত্তি দৰ্শোৱাৰ লগতে অধ্যক্ষলৈ লিখিত পত্ৰ প্ৰেৰণ কৰে। আন এক অভিযোগ মৰ্মে, মহাবিদ্যালয়খনত সাধাৰণ সম্পাদকৰূপে থকা অৱস্থাত হিৰণ্য দাসে নৱাগত আদৰণী সভাৰ হিচাপ-নিকাচ নিদিয়াৰো অভিযোগ তোলে। আন এটি গুৰুত্বপূৰ্ণ কথা যে লিংডো কমিটীৰ নিৰ্দেশনা অনুসৰি কোনো প্ৰাৰ্থীয়ে এবাৰহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব বা কাৰ্যনিৰ্বাহ কৰিব পাৰিব। তেনেক্ষেত্ৰত নিবাচনী সমিতিৰ আন সদস্যসকলৰ আপত্তি থকাৰ পিছতো মহাবিদ্যালয় অধ্যক্ষ ড০ দিনমণি কলিতাই এক প্ৰকাৰ নিজৰ মইমতালিৰে হিৰণ্য দাসকে পুনৰ বাছনি কৰাক লৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনী আৰু বৃহত্তৰ ৰামপুৰ যুৱ-ছাত্ৰ সন্থাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে অনিয়মৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ পত্ৰ প্ৰেৰণ কৰে বুলি জানিবলৈ দিয়ে।

# শদিয়া সম-জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

**ই-সংবাদ, ডুমডুমা, ১৮ নৱেম্বৰঃ** সমগ্ৰ দেশৰ লগতে শদিয়াটো শদিয়া সম-জিলা প্ৰশাসন, মহকুমা তথ্য আৰু জনসংযোগ বিভাগ আৰু শদিয়া প্ৰেছ ক্লাৱৰ যুটীয়া উদ্যোগত শদিয়া সম-জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হ'য়। শদিয়া সম-জিলাৰ সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰৰ পৌৰহিত্যত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি এখনি আলোচনা চক্ৰও অনুষ্ঠিত কৰা হ'য়। আলোচনা চক্ৰৰ মূল বিষয়বস্তু আছিল "প্ৰেছৰ পৰিৱৰ্তিত প্ৰকৃতি"। আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শদিয়া সম-জিলাৰ আয়ুক্ত তথা বিশিষ্ট কবি-লেখক মানসজ্যোতি নাথে "ৰাষ্ট্ৰীয় প্ৰেছ দিৱস" উদযাপনৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ লগতে শদিয়াৰ জ্যেষ্ঠ সাংবাদিকদ্বয় ক্ৰমে সমৰজ্যোতি গগৈ আৰু বিনয় ভূষণ শেনচোৱাই "ৰাষ্ট্ৰীয় প্ৰেছ দিৱস"ৰ সন্দৰ্ভত তাৎপৰ্য্যপূৰ্ণ বক্তব্য আগবঢ়ায়। সাংবাদিকদ্বয়ে এনে ধৰণে অনুষ্ঠানটি অনুষ্ঠিত কৰাত প্ৰশাসনক তথা চৰকাৰক ধন্যবাদ জনায়। অনুষ্ঠানত জনসংযোগ বিভাগৰ আয়েজৰ ৰহমানেও "ৰাষ্ট্ৰীয় প্ৰেছ দিৱস" সম্পৰ্কে সুন্দৰ বক্তব্য ৰাখে। অনুষ্ঠানত উপস্থিত থকা শদিয়া সম-জিলাৰ সাংবাদিকসকলক শদিয়া সম-জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলক ফুলাম গামোচা আৰু ক্ষুদ্ৰ উপহাৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়। সভাৰ উদ্দেশ্য ৱাখ্যা কৰে সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত মহকুমা তথ্য আৰু জনসংযোগ বিষয়া পৰ্চিয়া খনিকৰে। অনুষ্ঠানত শদিয়া প্ৰেছ ক্লাবৰ সদস্যসকলৰ লগতে সহকাৰী আয়ুক্ত সীমা গগৈ, অংকিত মিত্ৰ, জনসংযোগ বিভাগৰ মনোজ কুমাৰ বিৰিহাৰ উপৰিও কৰ্মচাৰী সকল উপস্থিত থাকে।

# বিদ্যালয়লৈ বুলি আহি মদ খাই পথতে বহি থাকিল প্ৰধান শিক্ষক

**ই-সংবাদ, ছিপাঝাৰ, ১৮ নৱেম্বৰঃ** দৰঙত এজন শিক্ষকৰ কাণ্ডই লজ্জানত কৰিলে সমগ্ৰ শিক্ষক সমাজক! বিদ্যালয়লৈ বুলি ওলাই আহি মদ খাই মাতাল হৈ ৰাজপথত পৰি থাকিল প্ৰধান শিক্ষক। দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত তথা গৰুখুটি নিকটৱৰ্তী ২ নং ঘাটৰ আগ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰোহিত চন্দ্ৰ দাসে আজি বিদ্যালয়লৈ বুলি আহি বাটতে মদ খাই মাতাল হৈ ৰাজপথৰ এটা পুলত বহি থাকে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি শিক্ষক সমাজক লজ্জানত কৰা এইজন প্ৰধান শিক্ষকে প্ৰায়ে বিদ্যালয়লৈ নিচাসক্ত অৱস্থাত আহে। এই লৈ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকে তেওঁক একাধিকবাৰ সকীয়নি দিছিল যদিও মদ খাই বিদ্যালয়লৈ আহিবলৈ এৰা নাছিল ৰোহিত চন্দ্ৰ দাস। পিছে আজি তেওঁ ইমানেই মদ খালে যে চাইকেল চলাবলৈ অক্ষম হৈ বিদ্যালয়লৈ অহা পথৰ পুল এটাতে মাতাল অৱস্থাত বহি থাকে। পিছত স্থানীয় লোকে দেখা পাই সংবাদ মাধ্যমৰ লোকক অৱগত কৰে। দোৰোল খোৱা জিভাৰে সাংবাদিকৰ আগত মদ খাই অহা বুলি স্বীকাৰ কৰা শিক্ষক ৰোহিত চন্দ্ৰ দাসৰ বিৰুদ্ধে শিক্ষা বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।



মামালৈ মৰম! ঝাৰখণ্ড নিৰ্বাচনী প্ৰচাৰ সভাত এগৰাকী অনুষাগীৰ উপহাৰ

# হিন্দু-মুছলিমৰ সম্প্ৰীতিৰে কলিয়নীত ৰাসোৎসৱৰ সোণালী জয়ন্তী

**ই-সংবাদ, বাহনা, ১৮ নৱেম্বৰঃ** মুছলিম ব্যক্তিয়ে দান কৰা ভূমিত ১৯৫৭ চনত প্ৰতিষ্ঠা হোৱা উত্তৰ যোৰহাটৰ কলিয়নী অঞ্চলৰ ছখন গাঁৱৰ সন্মিলিত অনুষ্ঠান শ্ৰী শ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘত ১৪ নৱেম্বৰৰ পৰা ৰাসৰ সোণালী জয়ন্তী আৰম্ভ হয়। ১৯৭২ চনৰ পৰা বৃহত্তৰ অঞ্চলটোৰ সংস্কৃতিৱান ৰাইজৰ উদ্যোগত ধাৰাবাহিকভাৱে অনুষ্ঠিত ৰাসোৎসৱৰ সোণালী জয়ন্তীৰ ১৪ নৱেম্বৰৰ পুৱা সংঘৰ পতাকা সভাপতি মুকুল শইকীয়াই আৰু উদযাপন সমিতিৰ পতাকা সভাপতি দ্বিজেন কলিতাই উত্তোলন কৰে। ডবা, খোল, তাল, উৰুলিৰ মাজত এক আধ্যাত্মিক পৰিৱেশত জিলাখনৰ বিভিন্ন স্থানৰ ৫০ জন বিশিষ্ট ব্যক্তিয়ে ৫০ খন পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ চুম্বিত চলিহাই। সংঘ চৌহদত পুনৰ নিৰ্মাণ কৰা স্মৃতি সৌধ অনুষ্ঠানত আনুষ্ঠানিকভাৱে ৰাইজলৈ উৎসৰ্গা কৰে সহধৰ্মিনী উষা ৰাণী দত্তই। অনুষ্ঠানসমূহ পৰিচালনা কৰে সহঃ সম্পাদক শ্ৰীমন্তমাধৱ দত্তই। ইয়াৰ পিছতে বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে পোন্ধৰ লাখ টকা ব্যয়ৰে পুনঃ নিৰ্মিত প্ৰেক্ষাগৃহটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠান পৰিচালনা কৰে দীপক গগৈয়ে। সোণালী জয়ন্তী উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে অভিনেতা তথা পৰিচালক ত্ৰিলোক বৰাই। উল্লেখ্য যে, শোভাযাত্ৰা আৰু পতাকা উত্তোলন কাৰ্যসূচীত অঞ্চলটোৰ ইছলামধৰ্মী লোকসকলেও উৎসাহ উদ্দীপনাৰে অংশগ্ৰহণ কৰে। নিশালৈ ন-পুৰণি কৰ্মীৰ মিলন, আৰম্ভণিৰে পৰা ৰাসৰ লগত জড়িতসকলক সম্বৰ্ধনা, ন্যাস বঁটা প্ৰদান অনুষ্ঠান আৰু স্মৃতিগ্ৰন্থ উন্মোচন হয়। সংঘৰ সম্পাদক বিনীত দত্ত, ন্যাসৰ সম্পাদক মানিক কলিতাই গণেশ চন্দ্ৰ দত্ত, কমল গগৈ, ফেদুৱা কলিতা, ভুৱনেশ্বৰ দত্ত শইকীয়া, কুঞ্জলতা কলিতা ন্যাস বঁটা প্ৰদান অনুষ্ঠান পৰিচালনা কৰে। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰে পটিয়া গাঁও সাহিত্য সভাৰ সভাপতি গোপাল মহন্তই। দুদিনীয়া কাৰ্যসূচীৰে ৰাসলীলা পালন কৰা হয়।

# থমনা ৰাসত কামৰূপী লোকগীত প্ৰতিযোগিতা

**ই-সংবাদ, মুছলপুৰ, ১৮ নৱেম্বৰঃ** নৱ প্ৰজন্মৰ মাজত কামৰূপী লোকগীতৰ পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে বাক্সা জিলাৰ থমনাত অসম ভিত্তিত মুকলি কামৰূপী লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১১ দিনীয়াকৈ অনুষ্ঠিত হোৱা ৯২ সংখ্যক থমনা বাৰোৱাৰী ৰাস মহোৎসৱত জ্যোতি-বিষ্ণু-ভূপেন্দ্ৰ সংগীতৰ সমান্তৰালভাৱে অনুষ্ঠিত কামৰূপী লোকগীত প্ৰতিযোগিতাত অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট দোতাৰা নিৰ্মাতা তথা অনাতাঁৰ শিল্পী ভূপেন দাসৰ পৌৰোহিত্যত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ জৰিয়তে নৱ প্ৰজন্মই কামৰূপী লোকগীতৰ সৈতে পৰিচয় হ'ব বুলি আশা প্ৰকাশ কৰে সমিতিৰ বিষয়ববীয়াই। জানিব পৰা মতে, প্ৰতিটো পুৰস্কাৰৰ বিপৰীতে নগদ ধন আৰু একোটাকৈ নিজ হাতেৰে নিৰ্মিত দোতাৰা আগবঢ়াইছে ভূপেন দাসে। উল্লেখ্য যে এইগৰাকী ভূপেন দাসৰ দোতাৰা সম্প্ৰতি অসমৰ বহু খ্যাতনামা শিল্পীয়ে ব্যৱহাৰ কৰি আছে। তেওঁৰ লক্ষ্য হৈছে তেওঁ নিজে আগুৱাই যোৱাৰ সমান্তৰালভাৱে অসমৰ সাতামপুৰুষীয়া সম্পদ স্বৰূপ লোকবাদ্য বা লোকগীতৰ সৈতে সকলোৰে জড়িত হওক। থমনা ৰাস মহোৎসৱত প্ৰতিযোগিতা অনুষ্ঠিত কৰিব খোজা লক্ষ্যও এয়াই যে নজনাসকলেও কামৰূপী লোকগীতৰ সৈতে পৰিচয় লাভ কৰক। উক্ত প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত আছিল কামৰূপী লোকগীতৰ অনাতাঁৰ শিল্পী ডম্বৰুধৰ পাঠক, লোক পৰিৱেশ্য কলাৰ গৱেষক ছাত্ৰী তথা শাস্ত্ৰীয় সংগীতৰ বিশাৰদ পপী ভূঞা আৰু লোকশিল্পী প্ৰমোদ দাস। প্ৰতিযোগীসকলেও বিভিন্ন প্ৰতিযোগিতাৰ লগতে কামৰূপী লোকগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা বাবে উদযাপন সমিতি আৰু প্ৰতিযোগিতাৰ পুৰস্কাৰ দাতা ভূপেন দাসক ভূয়সী প্ৰশংসা কৰে।

# বৰবৰীত কাৰ্যালয় মুকলি অনুষ্ঠান

**ই-সংবাদ, মুছলপুৰ, ১৮ নৱেম্বৰঃ** আগন্তুক ২০২৫ বৰ্ষৰ ২১ আৰু ২২ জানুৱাৰীত অনুষ্ঠিত হ'ব বাক্সাৰ বৰবৰীস্থিত শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী মহোৎসৱ। এই উপলক্ষে আজি বৰবৰী চ'কত স্থাপন কৰা অস্থায়ী কাৰ্যালয় এটা আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি নগেন্দ্ৰ নাথ ৰামচিয়াৰীয়ে ৰঙা ফিটা কাটি মুকলি কৰে উক্ত কাৰ্যালয়টো। আজিৰ কাৰ্যালয় মুকলি অনুষ্ঠানত নিকেতন পৰিচালনা সমিতিৰ বিষয়ববীয়া, ৰূপালী জয়ন্তী মহোৎসৱৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া, নিকেতনৰ আচাৰ্য-আচাৰ্যা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## বিশ্বনাথৰ উত্তৰ চাৰিআলিৰ ৰাসত উপস্থিত হ'ল জুবিন গাৰ্গ

# সম্প্ৰীতি! সাংবাদিক আমিৰ খান, পত্নী জোনমণি বেগমে ল'লে নন্দ-যশোদাৰ বিশেষ ভাও

**ই-সংবাদ, বিশ্বনাথ, ১৮ নৱেম্বৰঃ** বিশ্বনাথ ৰাস মহোৎসৱত এহাল ইছলাম ধৰ্মালম্বী দম্পতী অৱতীৰ্ণ হল নন্দ যশোদাৰ ভাওত। নন্দৰ চৰিত্ৰত সাংবাদিক আমিৰ খান আৰু তেওঁৰ সহধৰ্মিণী জোনমণি বেগমৰ দুৰ্দান্ত অভিনয়ে মনমুগ্ধ কৰি তোলে হাজাৰ হাজাৰ ভক্ত প্ৰাণ লোকক। যি সময়ত জাতি-ধৰ্ম-বৰ্ণক লৈ ৰাজ্যত একাংশ লোকে সমাজত সাম্প্ৰদায়িক বিষয়বাষ্প বিয়পাবলৈ চেষ্টা কৰিছে। সেই সময়তে বিশ্বনাথৰ ইছলাম ধৰ্মালম্বী এই দম্পতীয়ে বৃহত্তৰ অসমীয়া জাতিৰ সম্প্ৰতিৰ এনাজৰীডাল মজবুত কৰিবলৈ গ্ৰহণ কৰা এই পদক্ষেপে বিশেষ তাপৰ্য্য বহন কৰিছে। এই ইছলাম ধৰ্মালম্বী দম্পতী হালে এই বছৰ সৈতে উত্তৰ চাৰিআলি ৰাস ভূমিত নন্দ যশোদাৰ ভাওত অৱতীৰ্ণ হৈ ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। এই দম্পতী হালৰ নন্দ উৎসৱ নাটত বিদুৰভাই বোলছবিৰ অভিনেতা উজ্জ্বল ৰাজখোৱা আৰু বলীন বৰাও দৰ্শকক হাঁহিৰ খোৰাক জগায়। উল্লেখ্য যে বিশ্বনাথৰ আদ্যবন্ত সংস্কৃতিৰ নিটোল ৰূপত উপস্থাপনৰ প্ৰয়াস কৰা উত্তৰ অসমৰ সৰ্ববৃহৎ মুকলি ৰাস উৎসৱ সাৰ্বজনীন বিশ্বনাথ ৰাসউৎসৱত আজি অন্তিমটো অন্তিমটো নিশা উপস্থিত হয় যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গ। জুবিনে গাৰ্গে এই ৰাস মহোৎসৱ প্ৰতক্ষ্য কৰি অভিভূত হৈ পৰাৰ লগতে বিশ্বনাথক লৈ তেওঁ কিবা পৰিকল্পনা কৰাৰ কথা উল্লেখ কৰে যদিও সেই পৰিকল্পনা পৰৱৰ্তী সময়তহে জনাব বুলি কয়। ইফালে, জনপ্ৰিয় শিল্পী ৰিচা ভৰদ্বাজেও উক্ত নিশা এই ৰাস মহোৎসৱত ৰাধাৰ চৰিত্ৰ ৰূপায়ণ কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। এক প্ৰকাৰ জুবিন গাৰ্গক সন্মুখৰ পৰা প্ৰত্যক্ষ কৰিবলৈ আৰু ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অহা শিল্পীসকলক চাবলৈ ৰাইজে হেতা-ওপৰা লগোৱাৰ লগতে ইছলাম ধৰ্মালম্বী দম্পতী আমিৰ খান আৰু জোনমণি বেগমৰ ভাও চাবলৈ এক জনসমূদ্ৰলৈ ৰূপান্তৰিত হয় বিশ্বনাথৰ ৰেলগেটস্থিত ৰাস বাকৰি। ইফালে, উত্তৰ চাৰিআলি সাৰ্বজনীন ৰাস উদযাপন সমিতিৰ সভাপতি নিৰঞ্জন হাজৰিকা, কাৰ্যকৰী সভাপতি বসন্ত বৰাকে ধৰি উদযাপন সমিতিয়ে এই ৰাস বাকৰিৰ পৰাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ বাৰ্তা বিলাবলৈ প্ৰয়াস কৰিছে। গুৰুজনাৰ যি সপোন আছিল বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এক বৃহৎ অসমীয়া জাতি নিৰ্মাণ কৰি বৰ অসম গঢ়ি তোলা- গুৰুজনাৰ এই নীতিকে অনুসৰণ কৰি উদযাপন সমিতিয়ে আগবঢ়াৰ প্ৰয়াসে যথেষ্ট প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।




গুৱাহাটীৰ ITA মাছখোৱাত অনুষ্ঠিত হোৱা ৰাইজৰ দলৰ যোগদান কাৰ্যসূচীত সতীৰ্থৰ সৈতে অখিল গগৈ

# বটদ্ৰৱাত নৃত্য-গীত-বাদ্যৰ প্ৰশিক্ষণ

**ই-সংবাদ, বেবেজীয়া, ১৮ নৱেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানৰ বটদ্ৰৱা থান আৰু ইয়াৰ চৌপাশৰ সত্ৰসমূহৰ ৫০০ বছৰীয়া পুৰণি সত্ৰীয়া-সংস্কৃতিৰ প্ৰবাহ স্থবিৰ হৈ যোৱাৰ বিপৰীতে পুনৰ গতিশীল কৰি ৰাখিবলৈ প্ৰচেষ্টা হাতত লৈছে শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানে। ইয়াৰ অংশ হিচাপে শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ তত্বাৱধানত সত্ৰ মণ্ডলী বটদ্ৰৱাৰ দ্বাৰা আৰম্ভ কৰা হৈছে নৃত্য, গীত আৰু বাদ্যৰ প্ৰশিক্ষণ। আচলতে, নৃত্য, গীত আৰু বাদ্যৰ প্ৰাচীন ৰূপটোক আদি পৰ্ব বোলা হয়। এই প্ৰাচীন পৰম্পৰাটো অক্ষুণ্ণ ৰাখি সাংস্কৃতিক সম্পদসমূহ জীয়াই ৰখাৰ সংকল্প লৈ বিশিষ্ট সত্ৰীয়া শিল্পী ৰঞ্জিত মহন্তই ছাত্ৰ-ছাত্ৰী তথা নতুন প্ৰজন্মক ইয়াৰ প্ৰশিক্ষণ দি উজ্জীৱিত কৰি তোলাৰ মানসেৰে আৰম্ভ কৰিছে এই মহান পদক্ষেপ। তদনুযায়ী মাংগলিক ৰীতি-নীতিৰ মাজেৰে বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই এই প্ৰশিক্ষণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত গৱেষণা প্ৰতিষ্ঠানৰ উপ-সভাপতি অতুল মহন্ত, মোহন বৰুৱা, জীতেন বৰদলৈ, সুৰুজ হাজৰিকাৰ লগতে শিল্পী দিপাংক গিৰি দেৱ গোস্বামী, লক্ষ্যধৰ তালুকদাৰ, দিব্যজ্যোতি বৰুৱা, নন্দেশ্বৰ হাজৰিকাকে প্ৰমুখ্য কৰি শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে, দহ বছৰ উৰ্ধৰ সকলো লোকৰ বাবে মুকলি থকা এই প্ৰশিক্ষণ বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব। প্ৰতি দেওবাৰে পুৱা ১০ বজাৰ পৰা এই প্ৰশিক্ষণ বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত চলিব বুলি বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সম্পাদক তুৰাৰাম বৰুৱাই জানিবলৈ দিছে।

# লাহৰীঘাটত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ মাজত সহায়ক উপকৰণ প্ৰদান

**ই-সংবাদ, লাহৰীঘাট, ১৮ নৱেম্বৰঃ** সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ আৰু এলিমকোৰ জৰিয়তে আজি লাহৰীঘাটত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ মাজত সহায়ক উপকৰণ প্ৰদান কৰা হয়। লাহৰীঘাট শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ সহযোগত এই উদ্দেশ্যে আজি লাহৰীঘাট উন্নয়ন খণ্ড কাৰ্যালয়ৰ ৰাজহুৱা ভৱনত এখন শুভাৰম্ভণি সভা অনুষ্ঠিত হয়। সভাখনত উপস্থিত থাকি লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে আনুষ্ঠানিকভাৱে ২০ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিৰ মাজত সহায়ক উপকৰণ হিচাপে হুইল চেয়াৰ, ট্ৰাই চাইকেল আদি সামগ্ৰী প্ৰদান কৰে। অনুষ্ঠানটোত বিধায়কগৰাকীৰ লগতে লাহৰীঘাট খণ্ডৰ উন্নয়ন বিষয়া মণিতা দাস ৰংহাং, শিশু উন্নয়ন প্ৰকল্পটোৰ বিষয়া জিতু ডেকা, গাণনিক বিষয়া ৰণ্টু ঠাকুৰীয়াৰ লগতে কেইবাগৰাকীও মুখ্য সেৱিকা উপস্থিত থাকে। উল্লেখ্য যে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ আৰু এলিমকোয়ে আগন্তুক শিশু উন্নয়ন প্ৰকল্পটোৰ অধীনত দুই শতাধিক বিশেষভাৱে সক্ষম ব্যক্তিৰ মাজত সহায়ক উপকৰণ বিতৰণ কৰিব।তাৰেই অংশ হিচাপে আজি উন্নয়ন খণ্ডটোৰ শিশু উন্নয়ন প্ৰকল্পৰ অধীনত এই শুভাৰম্ভণি অনুষ্ঠানটো অনুষ্ঠিত হয় বুলি প্ৰকল্প বিষয়া জিতু ডেকাই সংবাদ মাধ্যমক জনায়।

# নগাঁৱত কদমনিত ভূমিকেন্দ্ৰিক সংঘাত

**ই-সংবাদ, বেবেজীয়া, ১৮ নৱেম্বৰঃ** নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাৰ এলেকাধীন কদমনিত সংঘটিত হোৱা এক ভূমিকেন্দ্ৰিক সংঘাতত বৃদ্ধসহ তিনিজন লোক আহত হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ মতে, বিগত প্ৰায় চাৰি বছৰ ধৰি কদমনি নিবাসী আব্দুল বাতেন নামৰ এজন বৃদ্ধ দৰিদ্ৰ ব্যক্তি আৰু তেওঁৰ পুত্ৰ ইমদাদুল হকৰ পৰিয়ালৰ ওপৰত মাটি-বাৰী সংক্ৰান্তীয় সংঘাতৰ বাবে একেটা অঞ্চলৰে আতাবুৰ ৰহমান নামৰ এজন চৰকাৰী চাকৰিয়ালে উপদ্ৰৱ চলাই আহিছে। যাৰ বাবে উপায়হীন হৈ দৰিদ্ৰ পৰিয়াটোয়ে আৰক্ষীৰ ওচৰ চাপিছে যদিও আৰক্ষীয়ে ওলোটাই দুখীয়া পৰিয়াটোক হাৰাশাস্তি কৰাৰহে অভিযোগ উঠিছে। আনকি আৰক্ষীৰ ৰহস্যজনক ভূমিকাৰ বাবেই নীৰিহ দৰিদ্ৰ পৰিয়ালৰ ওপৰত গুণ্ডা প্ৰকৃতিৰ আতাবুৰ ৰহমানে বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আহিছে। ইয়াৰ মাজতে সোমবাৰে পুৱাৰ ভাগত আতাবুৰ ৰহমানে লগত প্ৰায় ২০-৩০ জনীয়া গুণ্ডা বাহিনী লৈ অতৰ্কিতে আক্ৰমণ চলায় দৰিদ্ৰ পৰিয়ালটোৰ ওপৰত।

## টাপেশ্বৰা গাঁও পঞ্চায়তত প্ৰৱেশ নিষিদ্ধ কৰিলে বিধায়কৰ

# বিধায়ক হাফিজ ৰফিকুল ইছলামৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, কলগাছিয়া, ১৮ নৱেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গুনিয়ালগুৰি, টি এন ডি আৰু বালাৰপাথাৰ গাঁৱৰ ৰাস্তা পকীকৰণৰ নামত ভুৱা আধাৰশিলা স্থাপন কৰি ৰাইজক প্ৰতাৰণা কৰাৰ বাবে স্থানীয় ৰাইজে ক্ষুব্ধ হৈ দেওবাৰে বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, যোৱা ৩০/০৪/২০২৩ ইং তাৰিখে অসম চৰকাৰৰ লোক নিৰ্মাণ পথ বিভাগৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনিৰ ২০২২-২৩ বৃত্তীয় বৰ্ষৰ অধীনত কলগাছিয়া-বালাৰপাথাৰলৈ সংযোগী পথৰ নবীকৰণৰ কামৰ জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে আধাৰশিলা স্থাপন কৰে। কিন্তু বিগত প্ৰায় দুবছৰ উকলি যাবৰ হ'ল যদিও আজিলৈ কাম আৰম্ভ নহ'ল। এইদৰে গুনিয়ালগুৰি, টি এন ডি, বালাৰপাথাৰ আদি গাঁৱৰ একাংশ ৰাস্তাত বিধায়কগৰাকীয়ে ভুৱা আধাৰশিলা স্থাপন কৰি ৰাইজক প্ৰতাৰণা কৰিছে। কোনো কাম নকৰি এইদৰে ৰাইজক প্ৰবঞ্চনা কৰাৰ বাবে স্থানীয় ৰাইজে ওলাই আহি বিধায়ক ড০ হাফিজ ৰফিকুল ইছলাম মুৰ্দাবাদ, ৰফিকুল ইছলাম হায় হায়, ৰাস্তাৰ নামত প্ৰতাৰণা কৰা নচলিব আদি শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামৰ টাপেশ্বৰা গাঁও পঞ্চায়তত প্ৰৱেশ নিষিদ্ধ কৰে।

## কাজিৰঙা ষষ্ঠ সংযোজনত বাঘৰ মৃতদেহ উদ্ধাৰ



**ই-সংবাদ বিশেষ, বিশ্বনাথ, ১৮ নৱেম্বৰঃ** কাজিৰঙা ষষ্ঠ সংযোজনৰ অন্তৰ্গত হৰণবালি চাপৰিত বাঘৰ মৃত্যু হয় বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, দেওবাৰে সন্ধিয়া বন বিভাগৰ লোকে উক্ত স্থানত বাঘ এটাৰ মৃত্যু হোৱাৰ তথ্য লাভ কৰিছিল। আজি পুৱা বন বিভাগৰ লোক উক্ত স্থানত উপস্থিত হৈ মৃত বাঘটো প্ৰত্যক্ষ কৰে। দুটা বাঘৰ সংঘৰ্ষৰ ফলতে এটা বাঘৰ মৃত্যু হোৱা বুলি অনুমান কৰিছে বন বিভাগে। ইতিমধ্যে চিকিৎসকৰ দলে মৃত্যু হোৱা বাঘটোৰ নমুনা সংগ্ৰহ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ ফলাফল অহাৰ পিছতহে পোহৰলৈ আহিব বাঘটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ। ইফালে, বন বিভাগে উদ্ধাৰ হোৱা স্থানতে বাঘটো দাহ কৰে।

## ৰঙিয়াৰ তৰণীত শোকাবহ পথ দুৰ্ঘটনা, ৰাস চাই আহোতে নিশা বাইকৰ খুন্দাত নিহত কিশোৰী

**ই-সংবাদ, ৰঙিয়া, ১৮ নৱেম্বৰঃ** ৰাসোৎসৱৰ আনন্দ উলাহৰ মাজতে ৰঙিয়াৰ তৰণীত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী কিশোৰীয়ে অকাল মৃত্যুক সাবটি লোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। নিহত কিশোৰীগৰাকী বিপুল কলিতাৰ ১০ বছৰীয়া কন্যা ৰিম্পী কলিতা। তৰণী হৰিমন্দিৰত অনুষ্ঠিত ৰাসোৎসৱৰ পৰা মাতৃৰ সৈতে তৰণী-বিছ্নোলা পথৰে গৃহাভিমুখে গৈ থকাৰ সময়তে তীব্ৰবেগী AS-14 Q-4194 নম্বৰৰ ইয়ামাহা এফ জেড বাইকে খুন্দা মাৰে কিশোৰীগৰাকীক। ফলত গুৰুতৰভাৱে আহত হয় কিশোৰীগৰাকী। আনহাতে, দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হয় কিশোৰীগৰাকীৰ মাতৃ কবিতা কলিতা। প্ৰত্যক্ষদৰ্শীয়ে সদৰি কৰা অনুসৰি তিনিজন উদণ্ড যুৱকে বাইকখনৰে তীব্ৰ বেগত আহি থকাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই সংঘটিত কৰে দুৰ্ঘটনাটো। প্ৰচণ্ড খুন্দাত ৰাজপথতে ঢলি পৰা কিশোৰীগৰাকীক মাতৃৰ সৈতে চিকিৎসালয়লৈ নিয়াৰ পথতেই কিশোৰী ৰিম্পি কলিতাই অকাল মৃত্যুক সাবটি লয়। ইফালে, দুৰ্ঘটনা সংঘটিত কৰা যুৱক তিনিজনৰ দুজন নলবাৰী জিলাৰ আৰু এজন ৰঙিয়াৰ সীতাৰাৰ বুলি জানিব পৰা গৈছে। নিশা কিশোৰীগৰাকীৰ মৃতদেহ ৰঙিয়া থানাৰ মৰ্গত ৰখাৰ পিছত আজি দিনৰ ভাগত মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি হাস্পাতাললৈ প্ৰেৰণ কৰা হয়। ইফালে, দৰিদ্ৰ পৰিয়ালটিৰ কিশোৰীগৰাকীৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে ৯০ সংখ্যক তৰণী বাৰোৱাৰী ৰাস মহোৎসৱ পৰিচালনা সমিতি, তৰণী হৰি মন্দিৰ পৰিচালনা সমিতিয়ে। আনহাতে, আৰিমত্ত ভৱন পৰিচালনা সমিতিৰ লগতে তৰণী মধ্য ইংৰাজী বিদ্যালয় পৰিচালনা সমিতিয়েও উক্ত ঘটনাত গভীৰ শোক প্ৰকাশ কৰি কিশোৰীগৰাকীৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গকো সমবেদনা জ্ঞাপন কৰে।

## অসম বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, মুকালমুৱা, ১৮ নৱেম্বৰঃ** অসমৰ সাংবাদিক আৰু সংবাদকৰ্মীসকলৰ নায্য প্ৰাপ্তিৰ হকে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা অসম বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠা দিৱস আজি বিভিন্ন জিলা সমিতিৰ লগতে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ উদ্যোগত কৈঠালকুছিস্থিত উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় প্ৰাংগণত বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উদ্দেশ্যে অসম বাৰ্তাজীৱী সংঘৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে জ্যেষ্ঠ সাংবাদিক ৰাজেন বৈশ্য আৰু নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সহকাৰী সম্পাদক কুমুদ বৰ্মনে। শ্বহীদ তৰ্পণ কৰে উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তন্ময় শৰ্মা আৰু সম্পাদক জ্যোতিৰ্ময় শৰ্মাই। ইয়াৰ পিছতে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ সভাখন উদ্বোধন কৰে নলবাৰী জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি হিমান বৰ্মনে। নলবাৰী বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই আঁত ধৰা উক্ত সভাত জ্যেষ্ঠ সাংবাদিক ৰাজেন বৈশ্য, প্ৰাক্তন সাংবাদিক এম হাচান আলী, সাংবাদিক কুমুদ বৰ্মন, শৈলেন বৰ্মন, ৰূপ কুমাৰ শৰ্মা, মেৰাজুল হুছেইন কাজি, পিংকুমণি ৰায় চৌধুৰী আদি কেইবাজনেও সাংবাদিকে সন্মুখীন হোৱা প্ৰত্যাহ্বান উল্লেখ্য কৰাৰ লগতে নিজৰ অভিজ্ঞতা প্ৰকাশ কৰি সাংবাদিকৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰক আহ্বান জনায়।

# মৰিগাঁও জিলাৰ 'কলেজ অৱ এডুকেচন'লৈ শ্ৰেষ্ঠ মহাবিদ্যালয় বঁটা ঘোষণা

**ই-সংবাদ, লাহৰীঘাট, ১৮ নৱেম্বৰঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে টিছাৰ এডুকেচন শিতানত মৰিগাঁৰৰ কলেজ অৱ এডুকেচনক ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ মহাবিদ্যালয় বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এক বিবৃতিযোগে ন্যাসৰ পৰিচালনা ন্যাসৰক্ষী পৰেশ বৈশ্যই এই কথা সদৰি কৰিছে। ১৯৯৪ চনত স্থাপন কৰা এই মহাবিদ্যালয়খনে অতি সম্প্ৰতি বিএড, ডিএলএড আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত চাৰিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম সফলতাৰে চলাই সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈছে। মহাবিদ্যালয়খনে এনচিটিইৰ স্বীকৃতি লাভৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰো এফিলিয়েচন লাভ কৰিবলৈ সক্ষম হৈছে। তিনিওটা পাঠ্যক্ৰমত মুঠ ৪২৩ গৰাকী শিক্ষাৰ্থীৰ অধ্যয়নৰ সুযোগ থকা এই মহাবিদ্যালয়খনত বিজ্ঞানসন্মতভাৱে উন্নতমানৰ শিক্ষা প্ৰদান কৰা হয়। বিগত পৰীক্ষাসমূহত মহাবিদ্যালয়ৰ ফলাফলো অতি সন্তোষজনক। বিশেষকৈ শিক্ষকতা বৃত্তিৰ বাবে থকা বিএড পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলক উন্নতমানৰ প্ৰশিক্ষণ দিয়া হয়। মহাবিদ্যালয়খনে গৱেষণা, অভিজ্ঞতামূলক শিক্ষা আৰু আউট ছোৰ্চিঙৰ ব্যৱস্থা ৰাখিছে। অভিজ্ঞতা সম্পন্ন ৩৫ গৰাকী অধ্যাপক-অধ্যাপিকাই পাঠদান কৰে মহাবিদ্যালয়খনত। মহাবিদ্যালয়খনৰ আন্তঃগাথঁনি উন্নত। মহাবিদ্যালয়খনে স্থাপন কৰিছে এটি উন্নতমানৰ বৃহৎ লাইব্ৰেৰী ই-বুকছ উপলব্ধ পুথিভঁৰাল। মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে নিৰ্মাণ কৰিছে এটি আকৰ্ষণীয় আৰ্ট এণ্ড ক্ৰাফটৰ মিউজিয়াম। প্ৰকৃতি বহনক্ষম সেউজীয়া চৌহদ, ধঁপাতমুক্ত পৰিৱেশ আৰু লিংগ বৈষম্য মুক্ত প্ৰশাসনিক ব্যৱস্থাই সমৃদ্ধ কৰিছে মহাবিদ্যালয়খনক। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড০ ডলী বুঢ়াগোহাঁইৰ সবল নেতৃত্বত মহাবিদ্যালয়খন অসমৰ এখন জাকতজিলিকা মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হৈছে। অহা ডিচেম্বৰ মাহত মহাবিদ্যালয়খনক এই বঁটা প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

## তিনিচুকীয়াৰ নিপুণ তবলা বাদক মানস দুৱৰাৰ দেহাৱসান

**ই-সংবাদ, ডুমডুমা, ১৮ নৱেম্বৰঃ** তিনিচুকীয়া চহৰৰ শ্ৰীপুৰীয়া নিৱাসী, বিশিষ্ট তবলা বাদক, বৰগুৰিস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশ কাৰ্যালয়ৰ কৰ্মচাৰী মানস দুৱৰা(৫৩)ৰ ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত কালি দেহাৱসান ঘটে। জানিব পৰা মতে, তেওঁ দীৰ্ঘদিন ধৰি এক দুৰাৰোগ্যত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত মানস দুৱৰাই মাতৃ, পত্নীসহ এগৰাকী কন্যা আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে, এসময়ত তেওঁ তিনিচুকীয়াৰ বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজৰ তবলাৰ প্ৰশিক্ষক আছিল। তিনিচুকীয়া সক্ৰিয় শিল্পী মঞ্চ, গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ নাট্য মন্দিৰ সমিতিৰ লগতে অন্যান্য অনুষ্ঠানেও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।



ওদালগুৰি জিলাৰ কলাইগাঁও অঞ্চলত অনুষ্ঠিত ৪০সংখ্যক শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱত মন্ত্ৰী পীযুষ হাজৰিকা

## সোণাৰিত অইল ইণ্ডিয়াৰ প্ৰজেক্ট 'অইল স্বাৱলম্বন'ৰ সজাগতা সভা সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১৮ নৱেম্বৰঃ** অইল ইণ্ডিয়া লিমিটেডৰ চি এছ আৰ প্ৰকল্প 'অইল স্বাৱলম্বন'ৰ এক সজাগতা সভা চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰত কালি সফলতাৰে অনুষ্ঠিত হৈ যায়।শতাধিক শিক্ষিত নিবনুৱা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সম্পন্ন হোৱা এই সজাগতা সভাখনত সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অংশগ্ৰহণ কৰি নৱপ্ৰজন্মৰ যুৱক-যুৱতীক উদ্দেশি দিয়া চমু ভাষণত আত্মসংস্থাপন দিশত আলোকপাত কৰে। বিধায়ক কোঁৱৰে তৈল অন্বেষণকাৰী প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত বিগত ২০১৩ চনৰ পৰাই কাৰ্যকৰী কৰি থকা 'অইল স্বাৱলম্বন'ৰ জৰিয়তে প্ৰশিক্ষণ সমাপ্ত কৰা শিক্ষাৰ্থীয়ে দেশৰ বিভিন্ন আগশাৰী পঞ্চতাৰকাযুক্ত হোটেল, ৰিছৰ্ট আদিত কৰ্মসংস্থাপন লাভ কৰাতো ইতিবাচক খবৰ বুলি কয়। সকলোৰে বাবে চৰকাৰী চাকৰি সম্ভৱ নহ'লেও কৰ্পৰেট খণ্ডৰ বৃহৎ পৰ্যটন উদ্যোগত কৰ্ম সংস্থাপন লাভ কৰি নিজৰ উজ্বল ভৱিষ্যত নিশ্চিত কৰাতো প্ৰয়োজন হৈছে আৰু এই দিশত গুৰুত্ব প্ৰদান কৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে 'অইল স্বাৱলম্বন'ৰ সুবিধা গ্ৰহণৰ বাবে আগবাঢ়ি আহিব লাগে বুলি বিধায়ক কোঁৱৰে ভাষণত উল্লেখ কৰে। সভাখনত বিজেপিৰ চৰাইদেউ জিলা সভাপতি লক্ষীনাথ তাছাইয়ো ভাষণ প্ৰদান কৰি অইল ইণ্ডিয়াৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত বিনামূলীয়াকৈ প্ৰদান কৰা পৰ্যটন আৰু আতিথ্য ব্যৱস্থাপনা পাঠ্যক্ৰমটো শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক গ্ৰহণ কৰিবলৈ আহ্বান জনায়।উল্লেখ্য যে, চৰাইদেউ জিলা বিজেপিৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সজাগতা সভাখনত অইল ইণ্ডিয়া লিমিটেডৰ চি এছ আৰ প্ৰকল্প 'অইল স্বাৱলম্বন'ৰূপায়ণ প্ৰতিষ্ঠান গুৱাহাটীৰ



'প্ৰগতি এডুটেক'ৰ মুখ্য সমন্বয়ক মাধৰ্য বৰুৱাইয়ো অংশগ্ৰহণ কৰি অইল স্বাৱলম্বন আঁচনিৰ সবিশেষ ব্যাখ্যা কৰে। অইল ইণ্ডিয়াৰ সামাজিক দায়বদ্ধতা আঁচনিত ৰূপায়ন হৈ থকা 'অইল স্বাৱলম্বন' বিগত ২০১৩ চনৰ পৰাই কাৰ্যকৰী হৈছিল। কিন্তু চৰাইদেউ জিলাত বিগত ২০২২ চনৰ পৰাহে অইল স্বাৱলম্বনৰ বিভিন্ন সজাগতা সভা আদি অনুষ্ঠিত হয় আৰু নিবনুৱা শিক্ষিত যুৱক-যুৱতীয়ে এই আঁচনিত বিনামূলীয়া প্ৰশিক্ষণ গ্ৰহণ কৰি দেশৰ বিভিন্ন ঠাইত কৰ্মসংস্থাপন লাভ কৰাৰ কথা উল্লেখ কৰে মুখ্য সমন্বয়ক মাধুৰ্য বৰুৱাই। বিগত তিনিটা বছৰতে কেৱল চৰাইদেউ জিলাৰ পৰাই তিনি শতাধিক যুৱক-যুৱতীয়ে পৰ্যটন খণ্ডত কৰ্মসংস্থাপন লাভ কৰাৰ কথাও ব্যক্ত কৰে মুখ্য সমন্বয়ক বৰুৱাই।আয়োজিত সজাগতা সভাখনৰ আঁত ধৰে যুৱ সংগঠক কমলজ্যোতি হাজৰিকাই। সভাত প্ৰাক্তন পৌৰপতি প্ৰণিতা পাংগিং, ৱাৰ্ড কমিছনাৰ ক্ৰমে দীপা গগৈ, মিতালী মণ্ডল, ৰাজিদা বেগম, যুৱ সংগঠক ছৰিফ কমল, প্ৰাঞ্জল গগৈ, প্ৰাক্তন ৱাৰ্ড মেম্বাৰ বিজিত দত্তৰ উপৰি জেষ্ঠ সাংবাদিক সূৰ্য বৰা, যুৱ সমাজকৰ্মী ৰাজু গগৈ আদিয়ে অংশগ্ৰহণ কৰে।

৬নং পৃষ্ঠাৰ পৰা...

# ৰঞ্জন দৈমাৰীক মুক্তি প্ৰদানৰ দাবী

কেডাৰ-নেতাসকলৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰ আৰু আৰু কাৰাগাৰত থকাসকলৰ অন্তৰ্বৰ্তীকালীন জামিন প্ৰদানৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে। বিটিআৰৰ এমচিএলএ আৰু নেচনেল ডেমক্ৰেটিক ফ্ৰন্ট অৱ বড়োলেণ্ডৰ এনডিএফবি প্ৰাক্তন সাধাৰণ সম্পাদক সঞ্জয় স্বৰ্গিয়াৰী, প্ৰাক্তন এনডিএফবি কল্যাণ সন্থাৰ চাৰিজনীয়া প্ৰতিনিধি দলে উত্তৰ-পূবৰ গৃহ মন্ত্ৰালয়ৰ উপদেষ্টা এ কে মিশ্ৰক সাক্ষাৎ কৰি কেবাটাও আহ্বান জনোৱা বুলি জানিব পৰা গৈছে। বৈঠকত বিটিআৰ চুক্তিৰ বিভিন্ন দফা ৰূপায়ণ, বিশেষকৈ এনডিএফবিৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপন আৰু শ্বহীদসকলৰ পৰিয়ালৰ কল্যাণ সম্পৰ্কীয় বিষয়সমূহক লৈ আলোচনা কৰা বুলি জানিব পৰা গৈছে। সঞ্জয় স্বৰ্গিয়াৰীৰ নেতৃত্বৰ সজাতি দলটোৱে চুক্তিৰ দফা ৯.৪ অনুসৰি এনডিএফবিৰ প্ৰাক্তন সদস্যসকলৰ বিৰুদ্ধে অমীমাংসিতভাৱে থকা ফৌজদাৰী গোচৰ বৰ্খাস্ত নকৰাত উদ্বেগ প্ৰকাশ কৰে। চুক্তিত ব্যৱস্থা থকা স্বত্বেও কেইবাটাও গোচৰ সমাধান হোৱা নাই। প্ৰতিনিধি দলটোৱে চৰকাৰক এনে ধৰণৰ গোচৰ সমূহ দ্ৰুততাৰে খাৰিজ কৰিবলৈ আৰু শান্তি চুক্তিত উল্লেখ কৰা অনুসৰি গুৰুতৰ অপৰাধত জড়িত লোকসকলৰ বাবে সাধাৰণ ক্ষমাৰ কথা বিবেচনা কৰিবলৈ আহ্বান জনায়। ৰঞ্জন দৈমাৰী আৰু অন্যান্যসকলৰ বাবে অন্তৰ্বৰ্তীকালীন জামিন দাবী কৰে। শান্তি চুক্তি স্বাক্ষৰ হোৱা স্বত্বেও ৰঞ্জন দৈমাৰীকে ধৰি এনডিএফবিৰ নেতাসকলক দীৰ্ঘদিন ধৰি বন্দী কৰি ৰখাত প্ৰতিনিধি দলটোৱে হতাশা ব্যক্ত কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায় বৰ্তমান উচ্চতম ন্যায়ালয়ত আপীলৰ অধীনত আছে। ২০ নৱেম্বৰত অন্তৰ্বৰ্তীকালীন জামিনক লৈ সিদ্ধান্ত ল'ব পাৰে ন্যায়ালয়ে। প্ৰতিনিধি দলটোৱে এতিয়াও বন্দী হৈ থকাসকলক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰাৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনাই কয় য়ে এনে পদক্ষেপ গ্ৰহণ কৰিলে অঞ্চলটোত শান্তি আৰু সম্প্ৰীতি বৃদ্ধি পাব। আনহাতে, এনডিএফবিৰ প্ৰাক্তন সদস্যসকলৰ নিযুক্তি নীতিত অন্তৰ্ভুক্ত কৰা হোৱা নাই বুলি আক্ষেপ কৰি চুক্তিৰ দফা ১০.২ অনুসৰি ভাৰতীয় সেনা, অৰ্ধসামৰিক বাহিনী আৰু ৰাজ্যিক আৰক্ষী বাহিনীত বড়ো যুৱক-যুৱতীক মকৰল কৰাৰ দাবী জনায়। এনডিএফবিৰ প্ৰাক্তন সদস্যসকলৰ বাবে এক বিশেষ নিযুক্তি অভিযান আৰম্ভ কৰিবলৈ আৰু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত শ্বহীদসকলৰ পৰিয়ালৰ বাবে চৰকাৰী চাকৰিত সংৰক্ষণ ৰখাৰ বাবে অনুৰোধ জনায়। প্ৰতিনিধি দলটোৱে দেশৰ আন প্ৰান্তত তথা চুবুৰীয়া দেশসমূহৰ কাৰাগাৰত বন্দী হৈ থকা এনডিএফবিৰ কেইজনমান প্ৰাক্তন সদস্যৰ দুৰ্দশাৰ কথা উল্লেখ কৰি তেওঁলোকক ভাৰতলৈ উভতাই আনিবলৈ আহ্বান জনায়।

৬নং পৃষ্ঠাৰ পৰা...

# আলোচনাৰে চৰকাৰে মণিপুৰৰ সমস্যা

বৰ্বৰ বুলি অভিহিত কৰিছে। আজি এখন সংবাদমেল সম্বোধন কৰি এনপিএফৰ মণিপুৰ ৰাজ্যিক গোটৰ নেতা আৱাংবো নিউমাই এই ছয়গৰাকী নিৰীহ মহিলা আৰু শিশুক শীতল মস্তিষ্কৰে হত্যা কৰা ঘটনা নিন্দনীয়, গৰিহণাৰ যোগ্য। লগতে আলোচনাৰ মাধ্যমেৰে চৰকাৰ আৰু জনগণক সমস্যা সমাদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে সকলো পক্ষক সংযম ৰক্ষাৰ আহ্বান জনায়। আৱাংবো নিউমাই কয় যে চৰকাৰে ভুক্তভোগীসকলক উদ্ধাৰ কৰিবলৈ সকলো সম্ভৱ প্ৰচেষ্টা চলাইছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁলোকক মৃত অৱস্থাত পোৱা গৈছে। এনে ঘটনাৰ সমাজত কোনো স্থান নাই। নিউমাই শেহতীয়াকৈ বিধায়ক আৰু মন্ত্ৰীসকলৰ বাসগৃহক লক্ষ্য কৰি কৰা আক্ৰমণ কৰা কাৰ্যক সমালোচনা কৰ। হিংসাৰ পৰিৱৰ্তে সংযম হোৱাৰ আহ্বান জনায়। জনগণ আৰু চৰকাৰক শান্তিপূৰ্ণ আলোচনাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায় নিউমাই আৰু কয় যে আইন নিজৰ হাতত ল'লে প্ৰগতি নহ'ব। ই কেৱল ৰাজ্যখনৰ সন্মান কলুষিত কৰিব। মণিপুৰত স্থায়ী শান্তি অৰ্জনৰ একমাত্ৰ উপায় শান্তিপূৰ্ণ আলোচনাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এনপিএফে সমৰ্থন প্ৰত্যাহাৰ কৰিব নেকি সোধা এক প্ৰশ্নৰ উত্তৰত নিউমাই কয় যে এনপিএফ বিজেপিৰ আটাইতকৈ পুৰণি সহযোগীসকলৰ মাজৰ সহযোগী। এই সংকটজনক সময়ত সমৰ্থন প্ৰত্যাহাৰ কৰা নহয়। আমি বিজেপি চৰকাৰৰ সৈতে থিয় হৈ থাকিম আৰু সংকটৰ সমাধান বিচাৰি যুটীয়াভাৱে কাম কৰিম। এইদৰে এতিয়া মণিপুৰত হিংসাক লৈ আৰম্ভ হৈছে ৰাজনৈতিক অস্থিৰতা।

# ডুমডুমাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ সমিতি গঠন

**ই-সংবাদ, ডুমডুমা, ১৮ নৱেম্বৰঃ** ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰীক্ষা কেন্দ্ৰৰ কেন্দ্ৰ সমিতিখন কালি বিদ্যালয়খনত অনুষ্ঠিত এখন ৰাজহুৱা সভাত নতুনকৈ গঠন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঝিকানন্দ বৰগোহাঁয়ে। ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা তথা পৰীক্ষা কেন্দ্ৰ সমিতিৰ সম্পাদিকা সংগীতা বৰকাকতিয়ে সভাত ২০২৪ বৰ্ষৰ পৰীক্ষাৰ আয়-ব্যয়ৰ পৰীক্ষিত প্ৰতিবেদন দাখিল কৰে। এই সভাতেই ডুমডুমা বালিকা উচ্চ মাধ্যমিক(এতিয়া উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বীনাপাণি গগৈক সভানেত্ৰী, অধ্যক্ষা সংগীতা বৰকাকতিক সম্পাদিকা, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী প্ৰতিভা শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক শংকৰ দাস, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা সীমা চৌধুৰী আৰু ডুমডুমাৰ বিশিষ্ট সমাজকৰ্মীদ্বয় গোবিন্দ ফুকন আৰু অভিজিৎ খাটনিয়াৰক সদস্য হিচাপে কেন্দ্ৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত ডুমডুমা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক মনোজ দত্ত, অৱসৰী প্ৰধান শিক্ষয়িত্ৰী বীনাপাণি গগৈ আৰু অভিজিত খাটনিয়াৰে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে(পূৰ্বৰ ছেবা) প্ৰৱৰ্তন কৰা নতুন পৰীক্ষা আৰ্হিৰ বিষয়ে বক্তব্য আগবঢ়ায়।

# বৰঙাবাৰীৰ শিক্ষাবিদ, সমাজকৰ্মী ভদ্ৰকান্ত বৰাৰ বিয়োগ

**ই-সংবাদ, মৰিগাঁও, ১৮ নৱেম্বৰঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী বৰঙাবাৰী গাঁৱৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, জাতীয়তাবাদী চেতনাৰে উদ্বুদ্ধ ব্যক্তি ভদ্ৰকান্ত বৰাই (৮০) আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। যোৱা ১৩ নৱেম্বৰত তেওঁ শাৰীৰিকভাৱে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসাধীন অৱস্থাতে শেষ নিশ্চাস ত্যাগ কৰে বৰাই। বৰঙাবাৰী অঞ্চলৰ প্ৰতিটো সৰু-বৰ সামাজিক অনুষ্ঠানৰ লগত সক্ৰিয় ভাৱে জড়িত হৈ থকা বৰা বৰঙাবাৰী অঞ্চলৰ প্ৰথমজন বিজ্ঞানৰ স্নাতক আছিল। অঞ্চলটোৰ এজন সুদক্ষ ফুটবলাৰ হিচাপে পৰিচিত বৰা এজন অংকীয়া ভাওনাৰ অভিনেতাও আছিল। বিষয় শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি বৰাই মৰিগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০০৪ চনত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। অঞ্চলটোৰ এজন সমাজ সচেতন ব্যক্তিৰ হিচাপে পৰিচিত বৰাই মৃত্যুৰ সময়ত পত্নী,অগপ দলৰ ভাতৃ সংগঠন যুৱ পৰিষদৰ সম্পাদক গৌতম বৰাৰ সহিতে দুজন পুত্ৰ আৰু এগৰাকী জীয়ৰীক এৰি থৈ যায়।ইফালে নিশা বৰাৰ নশ্বৰ দেহ নিজ বাসগৃহত উপস্থিত হোৱাৰ লগে লগে গুণমুগ্ধ লোকসকল উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। বৰাৰ মৃত্যুত বৰঙাবাৰী শাখা সাহিত্য সভাৰ সভাপতি জয়ন্ত হাজৰিকা, সম্পাদক সদানন্দ বৰা, মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক বিমল বৰকাকতি, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, আদি কৰি বহু কেইটা দল-সংগঠন আৰু অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## শ্বহীদ স্বৰ্ণ ট্ৰফী ফুটবল
# মুছলপুৰ ইয়ং ইলেভেন চেম্পিয়ন

**ই-সংবাদ, মুছলপুৰ, ১৮ নৱেম্বৰঃ** বাক্সা জিলাৰ মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি বাক্সা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত ১৪ সংখ্যক বাক্সা জিলা বড়োলেণ্ড শ্বহীদ স্বৰ্ণ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হয়। চূড়ান্ত খেলখন উদ্বোধন কৰে বাক্সা জিলা ক্ৰীড়া বিষয়া দশৰথ ব্ৰহ্ম আৰু বাক্সা জিলা ক্ৰীড়া সন্থাৰ সভাপতি হিতেশ বসুমতাৰীয়ে। খেলখনত মুছলপুৰ ইয়ং ইলেভেন স্পৰ্টচ ক্লাবে বৰিমাখাৰ চাৰঅস্থাই স্পোৰ্টচ ক্লাবক ৩-১ গলৰ ব্যৱধানত হৰুৱাই চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। এই প্ৰতিযোগিতাখনত মুঠ ৮ টা দলে অংশগ্ৰহণ কৰিছিল।

# দলগাঁও টাউনত খেল মহাৰণ সম্পন্ন

**ই-সংবাদ, খাৰুপেটীয়া, ১৮ নৱেম্বৰঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ খেল মহাৰণ ২.০ৰ দৰঙৰ দলগাঁও সমষ্টিৰ দলগাঁও গাঁও পঞ্চায়ত পৰ্যায়ৰ খেলসমূহ দলগাঁও টাউন খেলপথাৰত দুদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। দলগাঁও সমষ্টি ইনচাৰ্জ তথা শাৰীৰিক নিৰ্দেশক মোবাৰক হুছেইনে আঁত ধৰা খেলৰ উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে অসম সংগীত পৰিৱেশন কৰে দলগাঁও নগৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। খেল উদ্বোধন কৰি দলগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দনজ্যোতি বৰাই কয় খেল মহাৰণৰ ফলত খেলুৱৈ পাম, সেইটোৱে নহয় ইয়াৰ ফলত সমাজৰ বিভিন্ন স্তৰত প্ৰতিনিধিত্ব কৰিব পৰা একো একোজন সবল, শক্তিশালী, মানসিকভাৱে সবল মানুহ সৃষ্টি কৰিব পাৰিম। অৱসৰী শাৰীৰিক নিৰ্দেশক বিষ্ণু প্ৰসাদ নাথে খেলুৱৈসকলক উদ্দেশ্যি ভাষণ ৰাখে। খেলুৱৈৰ শপত বাক্য পাঠ কৰোৱায় শাৰীৰিক নিৰ্দেশক মোবাৰক হুছেইনে। ১৭ বছৰ অনুৰ্ধ আৰু ১৭ বছৰ উৰ্ধৰ ল'ৰা-ছোৱালীৰ ১০০, ২০০, ৪০০ মিঃ দৌৰ, দীঘল জাম্প, ফুটবল, কাবাডী, চাইক্লিং, দবা খেলসমূহ অনুষ্ঠিত হয়। চাইক্লিং প্ৰতিযোগিতা পুৰা শুভ উদ্বোধন কৰে দলগাঁও 'আংগিক'ৰ সভাপতি কুশল চহৰীয়াই। খেলসমূহ পৰিচালনা কৰে বিশ্বজিৎ ঘোষ, প্ৰদীপ ঘোষ, নেকিবুৰ জামান, বিষ্ণু প্ৰসাদ নাথ, জমিৰুদ্দিন আহমেদ, ডিম্বেশ্বৰ বড়ো, প্ৰদীপ ঠাকুৰীয়া, ইছলাম ছাবিত আজহাৰে।



## মহাৰাম নাথ-পুহৰাম নাথ সোঁৱৰণী প্ৰাইজমানি ফুটবল
# অসম পুলিচক হৰুৱাই দলবাৰী যুৱকল্যাণ চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৮ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ চৰাইবাহী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত সন্থাৰ নিজা খেলপথাৰত দেওবাৰে সফলতাৰে সামৰণি পৰা সোণালী জয়ন্তী বৰ্ষ মহাৰাম নাথ আৰু পুহৰাম নাথ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত দলবাৰী যুৱকল্যাণ সংঘই চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ দেওবাৰৰ ফাইনেলত দলবাৰী যুৱকল্যাণ সংঘই গুৱাহাটীৰ অসম পুলিচ কমাণ্ডো বাহিনীৰ ফুটবল দলক ২-১ গ'লত পৰাজিত কৰে। বিৰতিলৈকে গ'লশূন্যভাৱে থকা খেলখনৰ দ্বিতীয়াৰ্ধত দলবাৰী যুৱকল্যাণ সংঘৰহৈ ৰণজমে গ'ল দুটা দিয়াৰ বিপৰীতে অসম পুলিচ কমাণ্ডো বাহিনী ফুটবল দলৰহৈ চবুংশ্ৰাৰ বসুমতাৰীয়ে একমাত্ৰ গ'লটো দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী নাচিৰউদ্দিন আহমেদক সহায় কৰে পদ্ম পাটৰ, দীপ পাটৰ আৰু ইয়াচমিন চুলতানাই। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে শুভাৰম্ভ কৰা ফাইনেল খেলখনত দলবাৰী যুৱকল্যাণ সংঘৰ ৰণজমে শ্ৰেষ্ঠ খেলুৱৈ, অসম পুলিচ কমাণ্ডো বাহিনীৰ গ'লৰক্ষক অজয় নাৰ্জাৰীয়ে শ্ৰেষ্ঠ গ'লৰক্ষক আৰু ৰুহিত হেমৰমে সৰ্বাধিক গ'লদাতাৰ পুৰস্কাৰ লাভ কৰে। খেলৰ অন্তত সামৰণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক ৰমেন নাথ, জয় আমচি, ভগৱান ভড়ালী, নাচিৰউদ্দিন আহমেদ, এন আৰ ছিদ্দিকী, এম আহমেদ আৰু পল্লৱজ্যোতি নাথ আদিৰ উপস্থিতিত বঁটা বিতৰণ কৰা হয়। ফাইনেল খেলখন পাঁচ সহস্ৰাধিক দৰ্শকে উপভোগ কৰে।

# চেলেঞ্জাৰ ট্ৰফীত 'ডি' দলত অসম কন্যা মণিকা দাস

**ই-সংবাদ ক্ৰীড়া সেৱা, ১৮ নৱেম্বৰঃ** টি-২০ চেলেঞ্জাৰ ট্ৰফী-২০২৪ যোৱা ১৭ নৱেম্বৰৰ পৰা আৰম্ভ হৈছে। ২৭ নৱেম্বৰলৈ চলিবলগীয়া ভাৰতৰ অন্যতম মহিলা ক্ৰিকেটৰ মুখ্য ঘৰুৱা টি-২০ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে ঝাৰখণ্ডৰ ৰাঁচীত। সকলো মেচ ৰাঁচীৰ জেএছচিএ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়াম কমপ্লেক্সত অনুষ্ঠিত হ'ব। পাঁচটা দল দল-এ, দল-বি, দল-চি, দল-ডি আৰু দল-ই-এ অংশগ্ৰহণ কৰিছে। টিম-ডিৰ অন্যতম সদস্য হৈছে অসম কন্যা মণিকা দাস। অসমত মহিলা ক্ৰিকেটৰ চমকপ্ৰদ প্ৰদৰ্শনেৰে উজ্বলি উঠা মণিকা দাসে চিনিয়ৰ টি-২০ চেলেঞ্জাৰ ট্ৰফী-২০২৪ত খেলিবলৈ সুবিধা লাভ কৰিছে। মণিকা দাসে অসম দলৰ হৈ বহু উন্নত প্ৰদৰ্শন কৰি আহিছে। টিম-ডিত কেইবাগৰাকী দেশৰ মুখ্য দলৰ ক্ৰিকেটাৰৰ সৈতে খেলিছে অসমৰ মণিকাই। ছিনিয়ৰ টি-২০ চেলেঞ্জাৰ ট্ৰফীত মণিকাই ভাগ লোৱা দল টিম-ডিৰ অধিনায়ক হৈছে শৈফালী বাৰ্মা। জানিব পৰা



মতে, টি-২০ চেলেঞ্জাৰ ট্ৰফীত মুঠ এঘাৰখন মেচ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হাৰলীন দেওলে দল এ-ক নেতৃত্ব দিছে। আনহাতে স্নেহ ৰাণাই দল-বিৰ, মিন্নু মণি দল-চি, ৰাধা যাদৱ দল ই-ৰ অধিনায়কৰ দায়িত্বত আছে। প্ৰথমখন মেচত মণিকাই মূল একাদশত নেখেলিলে যদিও পৰৱৰ্তী মেচত খেলিব বুলি জনা গৈছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৰদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি